


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১০ অক্টোবৰ ২০২৫/২৩ আহিন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২৫ ● Vol - 14, Issue - 25

# ‘অৰুণোদয়’ হৈছে স্বৰাজোত্তৰ অসমৰ ইতিহাসৰ সৰ্ববৃহৎ কল্যাণমূলক আঁচনি ঃ মুখ্যমন্ত্ৰী

## অৰুণোদয় ৩.০-ৰ অধীনত ৰাজ্যৰ ৩৮ লাখ হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান প্ৰক্ৰিয়াৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ






**দিছপুৰ ঃ** ৰাজ্যৰ বুনিয়াদী অৰ্থনীতি সবলকৰণৰ মূল লক্ষ্যৰে ৰাজ্য চৰকাৰে হাতত লোৱা স্বৰাজোত্তৰ অসমৰ ইতিহাসৰ সৰ্ববৃহৎ আঁচনি অৰুণোদয় ৩.০-ৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ৩৮ লাখৰো অধিক হিতাধিকাৰীলৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি মাহিলি ১২৫০ টকাকৈ সাহায্য প্ৰদানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই উপলক্ষে খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত কেন্দ্ৰীয় শুভাৰম্ভণী অনুষ্ঠানৰ পৰা তাত সমবেত ৰাইজৰ লগতে আভাসীয়ভাৱে ভোটগ্ৰহণ কেন্দ্ৰ অনুসৰি ৰাজ্যৰ ২৫,৯৯১টা স্থানত সমবেত হিতাধিকাৰীসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ অন্ত্যোদয়া পৰিয়ালসমূহক আৰ্থিক সকাহ প্ৰদানৰ বাবে হাতত লোৱা স্বৰাজোত্তৰ অসমৰ ইতিহাসৰ সৰ্ববৃহৎ কল্যাণমূলক আঁচনি অৰুণোদয়ৰ অধীনত ৰাজ্য চৰকাৰে বছৰি প্ৰায় ৫০০০ কোটি টকা ব্যয় কৰিব। আঁচনিখনৰ সূচনাকালৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ক'ভিডৰ পৰিৱেশত দৰিদ্ৰতাক সাবটি ল'ব লগা হোৱা ৰাজ্যৰ জনসাধাৰণক সকাহ দিয়াৰ লক্ষ্যৰে ২০২০ চনত তেওঁ বিত্তমন্ত্ৰী হিচাপে থকাৰ সময়ত এই আঁচনিখন আৰম্ভ কৰা হৈছিল। প্ৰথম অৱস্থাত ইয়াৰ অধীনত প্ৰায় ১৮ লাখ হিতাধিকাৰীক প্ৰতিমাহৰ ১০ তাৰিখে তেওঁলোকৰ বেংক একাউণ্টৰ জৰিয়তে মাহেকত ৮৩০ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাইজৰ দাবী অনুসৰি ২০২১ চনৰ অক্টোবৰ মাহৰ পৰা মাহেকীয়া এই ধন ১০০০ টকালৈ বৃদ্ধি কৰা হয়। ২০২২ চনৰ ১৪ নৱেম্বৰত আঁচনিখনৰ অধীনত হিতাধিকাৰীৰ সংখ্যা আৰু ১০ লাখ বৃদ্ধি কৰা হয় আৰু ২৮ লাখ হিতাধিকাৰীৰে অৰুণোদয় ২.০ আৰম্ভ কৰা হয়। পৰৱৰ্তী সময়ত ৰাইজে বিচৰা অনুসৰি অৰুণোদয়ৰ অধীনত আগবঢ়োৱা মাহেকীয়া ধন ১২৫০ টকালৈ বৃদ্ধি কৰা হয়। তেওঁ কয় যে ইয়াৰ পিছতো যথেষ্টসংখ্যক মহিলা আঁচনিখনৰ পৰা বাদ পৰি যোৱা বুলি উপলব্ধি কৰি চৰকাৰে ৩৮ লাখৰো অধিক হিতাধিকাৰীক সামৰি অৰুণোদয় ৩.০ প্ৰৱৰ্তন কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰৰ বিত্ত বিভাগ, জিলা প্ৰশাসন আৰু মন্ত্ৰী-বিধায়কসকলৰ বছৰজোৱা প্ৰয়াসৰ ফলশ্ৰুতিত এয়া সম্ভৱ হৈ উঠিছে। ১০ পৃষ্ঠাত

# কান্দোন ঃ কোনো সমস্যাৰ সমাধান নহয়

■ **অংকুৰজ্যোতি হাতীমূৰীয়া,** শিৱসাগৰ

**কা**ন্দোন হৈছে মানুহৰ এক স্বাভাৱিক আৱেগ যিটোক প্ৰায়ে দুৰ্বলতা বা দুৰ্বলতাৰ চিন হিচাপে দেখা যায়। কান্দোন আৱেগৰ আকৰ্ষণীয় মুক্তি হ'ব পাৰে যদিও এইটো স্বীকাৰ কৰাটো গুৰুত্বপূৰ্ণ যে ই কোনো সমস্যাৰ সমাধান নহয়। আচলতে কান্দোনক মোকাবিলা কৰাৰ ব্যৱস্থা হিচাপে নিৰ্ভৰ কৰিলে জীৱনত আমি সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ ফলপ্ৰসূভাৱে মোকাবিলা আৰু সমাধান কৰাৰ ক্ষমতাত প্ৰায়ে বাধাৰ সৃষ্টি হ'ব পাৰে।

এটা সাধাৰণ ভুল ধাৰণা হ'ল যে কান্দিলে আনৰ পৰা সহানুভূতি বা সমৰ্থন লাভ কৰি সমস্যা সমাধান কৰিব পাৰি। কান্দোনৰ ১০ পৃষ্ঠাত

# জুবিন বিহীন সেমেকা শাৰদীয় দুৰ্গাপূজা

■ **ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

**দু**ৰ্গাপূজা বুলি ক'লে সকলোৰে মনবোৰ আনন্দ উল্লাসেৰে ভৰি পৰে। কোন ঠাইৰ পূজা মণ্ডপ আটাইতকৈ ধুনীয়াকৈ নিৰ্মাণ কৰিছে, সেই ঠাইৰ পূজা মণ্ডপলৈ যাবলৈ সকলো আগ্ৰহী হৈ পৰে। এইবাৰ সকলোৰে মনবোৰ যিহেতু সেমেকা দুৰ্গাপূজাস্থলীৰ পৰিৱেশো সেমেকা। জুবিন দাৰ মৃত্যুৰ খবৰটো এতিয়াও অসমবাসীয়ে সাধাৰণভাৱে মানি ল'ব পৰা নাই। সেই মৃত্যু যে স্বাভাৱিক নহয়, সেয়েহে ন্যায়ৰ পাছত দৌৰিছে। মা দুৰ্গাৰ আশীৰ্বাদত জুবিন দাৰ লগত ষড়যন্ত্ৰ কৰা আটাইকেইজন দোষীৰ শাস্তি পোৱাটোৱেই কামনা কৰিছে। প্ৰত্যেক বছৰৰ দৰে এইবাৰো দুৰ্গাপূজা হৈছে। মাথোঁ আনন্দ স্ফূৰ্তিবোৰহে নোহোৱা হৈ পৰিছে। প্ৰতিখন পূজা মণ্ডপতে জুবিন দাক শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। জুবিন দাৰ কৰ্মৰাজিৰ দ্বাৰাই মানৱ সমাজত অমৰ হৈ ৰ'ব। আন বছৰৰ দৰে ১০ পৃষ্ঠাত

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, শিক্ষাবিদ ড° কন্দৰ্প কুমাৰ ডেকাক ‘শিক্ষা ৰত্ন’ সন্মান প্ৰদান ‘প্ৰহৰী’ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ১৯৩৫ চনৰ ২৬ মাৰ্চত নলবাৰীত জন্মগ্ৰহণ কৰা আৰু বৰ্তমানে ডিব্ৰুগড় নিৱাসী তথা ডিব্ৰুগড় আৰু নগাঁওস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, বিশিষ্ট শিক্ষাবিদ ড° কন্দৰ্প কুমাৰ ডেকাক প্ৰদান কৰা হয় ‘শিক্ষাৰত্ন’ উপাধি আৰু সন্মান। এই সন্মান প্ৰদান কৰিছে ডিব্ৰুগড় মহানগৰৰ সৌন্দৰ্যবৰ্ধন আৰু ঐতিহ্য সংৰক্ষণ সমিতি ‘প্ৰহৰী’য়ে। দেওবাৰে সন্ধিয়া মহানগৰখনৰ ট্ৰি ফাৰ্ণ হোটেলত ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা (১৯৭১)ৰ নৱম সংখ্যক উদ্‌যাপন দিৱস উপলক্ষে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড° ডেকাক এই সন্মান প্ৰদান কৰে সংগঠনটোৱে।

সংগঠনটোৰ সভাপতি তথা সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শিক্ষাবিদ ড° ডেকাক ফুলৰ থোপা, গামোচা, চেলেং, এটি স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গীতা বৰুৱা আৰু নৰেন্দ্ৰ নাথ গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দীপা গোস্বামীয়ে আৰু আদৰণি ভাষণ প্ৰদান কৰে সভাপতি ড° কৰবী ডেকা হাজৰিকাই। জিলা প্ৰতিষ্ঠা দিৱস সম্পৰ্কে চমুকৈ আলোকপাত কৰে সংগঠনটোৰ কাৰ্যকৰী সভাপতি ডাঃ শান্তনু লহকৰে। নিজৰ অনুভৱ ব্যক্ত কৰি বঁটাপ্ৰাপক ড° কন্দৰ্প কুমাৰ ডেকাই কয় যে কেইবাটাও ৰাষ্ট্ৰীয় বঁটা শিক্ষাবিদ হিচাপে লাভ কৰিছো যদিও ডিব্ৰুগড়ৰ ৰাইজে প্ৰদান কৰা সন্মান লাভ কৰি নিজকে গৌৰৱবোধ কৰিছো। এইক্ষেত্ৰত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তিনিগৰাকী উপাচাৰ্য ক্ৰমে ড° মুকুন্দ মাধৱ শৰ্মা, দেৱদাস কাকতি, ড° কুলেন্দু পাঠক আৰু শিক্ষক হিচাপে অধ্যাপক ড° মুকুল কুমাৰ শৰ্মাৰ অনুপ্ৰেৰণাৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰে। ড° ডেকাৰ জীৱন-কৃতী সম্পৰ্কত চমুকৈ আলোকপাত কৰে অভিনেত্ৰী ঝৰ্ণা শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয় যে অতীতৰ ভেঁটিক কেন্দ্ৰ কৰিহে বৰ্তমানৰ ভেটি তৈয়াৰ হয়। এই অৰ্থত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যি ভেটি উপাচাৰ্য হৈ থকা অৱস্থাত ড° ডেকাই গঢ়ি গ'ল সেয়া কোনেও পাহৰিব নোৱাৰে। বিশেষকৈ তেখেতৰ পৰা প্ৰশাসনীয় দিশত আমাৰ অনেক কথা শিকিবলগীয়া আছে বুলিও উল্লেখ কৰে ড° হাজৰিকাই। আনহাতে সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ ১০ পৃষ্ঠাত

# গণশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নগাঁৱৰ তিনিটাকৈ অৰাজনৈতিক সংগঠনৰ

## বাসগৃহত গৈ শোকসন্তপ্ত পৰিয়ালক জনালে সমবেদনা



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়াৰ হিয়াৰ আমঠু গণশিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুয়ে কুৰি দিন অতিক্ৰম কৰিলে। মৰমৰ শিল্পীজনৰ মহাপ্ৰয়াণত আৱেগিক হৈ পৰা জনতাই মৃত্যুৰ প্ৰকৃত সত্য জানিবৰ বাবে উৎসুকতাৰে বাট চাই ৰোৱাৰ সমান্তৰালভাৱে আপোন শিল্পীজনৰ প্ৰতি প্ৰান্তে শ্ৰদ্ধাঞ্জলি জনাই আহিছে। তদুপৰি প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে অসমৰত্ন জুবিন গাৰ্গৰ বাসগৃহলৈ গৈ দুৰ্ভগীয়া পত্নী গৰিমা গাৰ্গৰ লগতে পৰিয়ালৰ কাষত উপস্থিত হৈ দুখৰ সমভাগি হোৱা দেখা গৈছে। ইয়াৰ মাজতে সোমবাৰে নগাঁৱৰ তিনিটাকৈ সামাজিক তথা অৰাজনৈতিক সংগঠনে জুবিন গাৰ্গৰ গুৱাহাটীৰ কাহিলীপাৰাস্থিত বাসগৃহত গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাই। জানিব পৰা মতে, সচেতন নাগৰিক সমাজ, নগাঁও, চি চি এম অ', নগাঁও আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ বিষয়ববীয়াৰে গঠিত এটি সঁজাতি দলে প্ৰাণৰ আপোন শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ সহধৰ্মিনী গৰিমা গাৰ্গৰ লগতে শোকগ্ৰস্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। লগতে সচেতন নাগৰিক সমাজৰ হৈ সভাপতি নুৰুল আমিন আৰু সম্পাদক ইমামুল হক আনচাৰী, চি চি এম অ'ৰ হৈ সম্পাদক হুমায়ুন কৰিব আৰু নাজিম আহমেদৰ লগতে গ্ৰাম বিকাশ পৰিষদৰ হৈ ছিৰাজ উদ্দিন আহমেদ, জ্যোতিপ্ৰসাদ ৰাজখোৱা আৰু মাধুৰ্য বৰাই গৰিমা গাৰ্গৰ হাতত পৃথকে পৃথকে শ্ৰদ্ধাঞ্জলি পত্ৰ অৰ্পণ কৰে। ইফালে, সন্ধিয়া নগাঁৱলৈ উভতি অহাৰ পথত থকা অমৰ শিল্পীজনৰ সোনাপুৰস্থিত সমাধিক্ষেত্ৰত উপস্থিত হৈ মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। নগাঁৱৰ উক্ত সংগঠন তিনিটাৰ সঁজাতি দলটোক অধিবক্তা তজম্মল হুছেইন, জহিৰুল ইছলাম, সাংবাদিক ৱাহিদুদ জামান, ব্যৱসায়ী নাছিৰ আহমেদ, সমাজসেৱিকা ক্ৰমে শ্বৰিন বেগম, জেফৰিনা জাৰ্ফিন আহমেদকে ধৰি কেইগৰাকীও বিশিষ্ট ব্যক্তিয়ে সংগ দিয়ে।

# হাজো-শুৱালকুছি প্ৰেছ ক্লাৱ গঠন


## সঞ্জীৱ ভৰালীক সভাপতি, দুলু কলিতাক সম্পাদক ৰূপে নিৰ্বাচিত



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** নৱগঠিত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত ছপা আৰু বৈদ্যুতিক মাধ্যমৰ সাংবাদিকসকলৰ এখনি সভা ৰামদিয়া পুথিভঁৰাল আৰু সামূহিক-সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দুলু কলিতাই। সভাত নৱগঠিত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত সাংবাদিক সকলক একত্ৰিত ৰূপত লৈ নতুনকৈ এটি সাংবাদিক সংগঠন গঠন কৰাৰ ওপৰত আলোচনা কৰা হয়। সভাত জ্যেষ্ঠ সাংবাদিক কমলা কান্ত দাস, ৰাজু কুমাৰ ডেকা, মজিবুৰ ৰহমান, জেহেৰুল ইছলাম, ছহিদুল ইছলাম, দুলু কলিতাকে ধৰি অন্যান্য সাংবাদিক উপস্থিত থাকি সাংবাদিকসকলৰ বিভিন্ন সমস্যাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। আনহাতে নৱগঠিত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত ছপা আৰু বৈদ্যুতিক মাধ্যমৰ সাংবাদিকসকলক ঐক্যবদ্ধ ৰূপত লৈ সাংবাদিক সংগঠন এটি গঠন কৰাৰ ওপৰত আলোচনা কৰা হয়। সভাই নৱগঠিত হাজো শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত ছপা আৰু বৈদ্যুতিক মাধ্যমৰ সাংবাদিকসকলক ঐক্যবদ্ধ হিচাপে লৈ নতুন ৰূপত হাজো-শুৱালকুছি প্ৰেছ ক্লাৱ নামেৰে সাংবাদিক সংগঠন এটি গঠন কৰা হয়। এই সভাত শৈলেন বৈশ্য (অসমীয়া প্ৰতিদিন), প্ৰভাত কলিতা (দৈনিক গণ অধিকাৰ) আৰু ৰাজু কুমাৰ ডেকাক উপ-সভাপতি, সঞ্জীৱ ভৰালীক সভাপতি, দুলু কলিতা (নতুন স্বদেশ)ক সম্পাদক, কমলাকান্ত কান্ত দাসক বিত্ত সম্পাদক, মজিবুৰ ৰহমান আৰু জেহেৰুল ইছলামক সহঃসম্পাদক, ছহিদুল ইছলামক প্ৰচাৰ সম্পাদক হিচাপে দায়িত্ব দিয়াৰ উপৰি কেবাগৰাকীও সাংবাদিকক কাৰ্যকৰী সদস্য ৰূপে লৈ নতুন সমিতি এখন গঠন কৰা হয়।

# অসমত থকা নেপালী সম্প্ৰদায়ৰ দুৰ্গা পূজাৰ উদ্‌যাপন

■ **চন্দ্ৰ শেখৰ পৰাজুলী**
বিশ্বনাথ চাৰিআলি, অসম



**নে**পালী সম্প্ৰদায়ৰ মূলতঃ অতীততে প্ৰধান বাসভূমি নেপাল ৰাষ্ট্ৰই আছিল। কিন্তু সময়ৰ অগ্ৰগতি ফলত কাল ক্ৰমান্বয়ে নেপালী সম্প্ৰদায়ৰ লোকসকলে বিশ্বৰ ভিন্ন ভিন্ন ঠাইত নিজৰ সুবিধা অনুসৰি বিচৰণ কৰি সেই ঠাই সমূহকে নিজৰ কৰি তাতেই জীৱন ধাৰণা কৰিববৈলে ধৰে। সেই অনুসৰি ভাৰতৰ ভূমিৰ অসম ৰাজ্যৰ নেপালী সকলৰ আগমণৰ কথা একেবাৰে সঠিককৈ তথ্য অনুসৰি উল্লেখ কৰাটো সম্ভৱপৰ নহয়। নেপালী সম্প্ৰদায়ৰ লোকসকল মূলতঃ হিন্দু ধৰ্মাৱলম্বী আৰু ভাৰত তথা অসম ৰাজ্যৰ লোকসকলো বেছিভাগে হিন্দু ধৰ্মাৱলম্বী লোকসকলে আছে। গতিকে ধাৰ্মিক সূত্ৰৰ অনুসৰিও নেপালী সম্প্ৰদায়ৰ লোকসকল ভাৰত তথা অসম ভূমিৰ ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। সেয়েহে অসমৰ চুকে কোনে উদ্‌যাপন কৰি অহা দুৰ্গা পূজা হ'ল নেপালী জাতিৰ জাতীয় উৎসৱ। শাস্ত্ৰমতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গাপূজা পালন কৰা হয়। চ'ত অৰ্থাৎ বসন্ত-কালৰ দুৰ্গাপূজাক বাসন্তী দুৰ্গাপূজা আৰু আহিন অৰ্থাৎ শৰৎ-কালৰ দুৰ্গাপূজাক শাৰদীয় দুৰ্গাপূজা নামে জনাজাত। অসম তথা ভাৰতৰ কিছু কিছু ৰাজ্যত দুৰ্গা পূজা সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠতম দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থাকে এই দুৰ্গোৎসৱ। এই পাঁচদিন যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত। কিন্তু নেপাল ৰাষ্ট্ৰৰ পৰম্পৰা অনুসৰি অসমত বসবাস কৰা নেপালী সকলেও উদ্‌যাপন কৰা দুৰ্গা পূজাৰ আগমণ ১৬ শ্ৰাদ্ধ অৰ্থাৎ পূৰ্ণিমাৰ পৰা আৰম্ভ হৈ একেবাৰে গৈ গৈ লক্ষ্মী পূৰ্ণিমাৰ পূজাৰ দিনা সামৰণি ঘটে। ১৬ শ্ৰাদ্ধক ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত পিতৃপক্ষ বা মহালয়া নামেৰেও পৰিচিত। নেপালীসকলে পালন কৰি অহা এই পিতৃপক্ষৰ ১৬ দিন ধৰি একেবাৰে শ্ৰাদ্ধৰ আকাৰত এসাজ অন্ন গ্ৰহণ কৰি নিজ নিজ মৃত পূৰ্ব পুৰুষ সকলক ধূপ বন্তি জ্বলাই শ্ৰদ্ধা নিবেদন বা স্মৰণ কৰা হয়। তাৰ পৰৱৰ্তী পৰ্যায়ত সাময়িক ধৰণে নৱৰাত্ৰিত পালন কৰি দেৱী দুৰ্গাৰ চৰণৰ প্ৰতিদিনে পূজা অৰ্চনা কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অৰ্থাৎ বিজয়া দশমীৰ দিনা নেপালী সম্প্ৰদায়ৰ লোকসকলে ঘৰে ঘৰে যিকোনো শুদ্ধ পাত্ৰত অংকুৰিত হ'বলৈ দিয়া গোমধানৰ গজালি পাতবোৰ (জমৰাক) দেৱী দুৰ্গাক উৎসৰ্গিত কৰি একেবাৰে দশমীৰ দিনৰ পৰা আৰম্ভ কৰি লক্ষ্মী পূৰ্ণিমাৰ দিনালৈকে নিজ আত্মীয়, সম্বন্ধীয় সকলে তথা নিজ নিজ অভিভাৱক সকলে পৰিয়ালৰ সকলোবোৰ সদস্যসকলে বয়োজ্যেষ্ঠ পৰা জমৰাৰ জৰিয়তে চাউলৰ ৰঙা ফোঁট লৈ আশীৰ্বাদ গ্ৰহণ কৰি যায়।

নেপালী সম্প্ৰদায়ে উদ্‌যাপন কৰা দুৰ্গা পূজাক দশাইন নামেৰেও জনা যায়। এই উৎসৱত দুৰ্গাৰ শক্তি পূজা কৰা হয়। ইয়াৰ উপৰিও দুৰ্গা পূজা হ'ল নেপালী সম্প্ৰদায়ৰ বাবে আত্মীয়, সম্বন্ধীয় তথা পাৰিবাৰিক মিলন, সংযোগৰ এক পবিত্ৰ সময়। যেনেকৈ আমি অসমত বসবাস কৰি অসমৰ জাতীয় উৎসৱ বিহু বহু আনন্দ, উল্লাসৰ মাজৰে পালন কৰি যাওঁ ঠিক সেইদৰে অসমত আহি জীৱন নিৰ্বাহ কৰি থকা আমি নেপালী সম্প্ৰদায়ৰ লোকসকলে নিজৰ জাতীয় উৎসৱ দুৰ্গা পূজা সকলো অসমীয়া জাতি-জনজাতিৰ লগত একলগ হৈ অতি আনন্দ উৎসাহৰ মাজেদি প্ৰতিবছৰে পালন কৰি আহিছোঁ।

**ম'বাইল ঃ** ৯৭০৭৩-০৬৪৭৪


# লক্ষ্যাধিক ভকতৰ সমাহাৰেৰে সামৰণি পৰিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম জয়ন্তী

## নতুন পুৰুষে শংকৰদেৱক জগত সভালৈ নিয়াৰ দায়িত্ব বহন কৰিব লাগিব

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** লক্ষ্যাধিক ভকতৰ সমাহাৰেৰে সামৰণি পৰিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ ৫৭৭ সংখ্যক জন্ম জয়ন্তী। যোৱা পহিলা অক্টোবৰৰ পৰাই চাৰিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰৰ উদ্যোগত অনুষ্ঠানত জন্ম জয়ন্তীত চাৰিওদিনেই ভক্তৰ লানি নিচিঙা সোতে গাঁওখনত এক নান্দনিক পৰিৱেশৰ সৃষ্টি কৰিছে। দিনে নিশাই হৰি-নামৰ ধ্বনি, নাট-ভাওনাৰ গুমগুমনিয়ে দ্বিতীয় বৈকুণ্ঠ লৈ পৰিৱৰ্তন হৈ পৰে। ৪ অক্টোবৰত শংকৰদেৱ মন্দিৰৰ প্ৰচাৰ শাখাৰ উদ্যোগত প্ৰচাৰ শাখাৰ সভাপতি মৃণাল চন্দ্ৰ দাসৰ পৌৰহিত্যত্বত শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ দৰ্শনত সমাজ সংস্কাৰ শীৰ্ষক এক আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়। মুখ্য আলোচক হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ একনিষ্ঠ প্ৰচাৰক মণিৰাম দাস বাপে একধৰণৰ হৰি-নাম ধৰ্মৰ সংস্কাৰ মুখী দিশ সমূহৰ আলোকপাত কৰে। তেওঁ কয় যে, গুৰুজনাৰ একশৰণ হৰি-নাম ধৰ্মৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল মানুহক সংস্কাৰ কৰা। তেহে ঈশ্বৰ প্ৰাপ্তিত লাভ আদায় কৰিব পৰিব। তেওঁৰ সংস্কাৰ মুখিতাত সকলোকে সমদৃষ্টিৰ আভাস প্ৰতিফলিত হয় বুলি কয়। গুৰুজনাই নিৰ্মাণ কৰা গুৰু আসনত থকা কাছ, হাতী সিংহ মানুহৰ সংস্কাৰৰ প্ৰতিকী। য'ত দয়া ক্ষমা মমতা আদি দেখা যায়। আনহাতে মুখ্য অতিথিৰ আসন অলংকৃত কৰি বিশিষ্ট চিকিৎসক ডাঃ জয়ন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক জগত সভালৈ নিয়া দায়িত্ব নতুন পুৰুষে বহন কৰিব লাগিব বুলি কয়। গুৰুজনাৰ অমৰ সৃষ্টি সমূহ ভিন ভিন ভাষালৈ ৰূপান্তৰিত কৰি প্ৰচাৰ কৰিব পাৰিব লাগিব। তাৰ বাবে আত্মশুদ্ধি, সদাচাৰ আৰু গুৰুজনাক অধিক অধ্যয়ন কৰাৰ প্ৰয়োজন বুলি কয়। প্ৰচাৰ শাখাৰ সম্পাদক ৰঞ্জিত কুমাৰ মহন্তই আঁতধৰা আলোচনা-চক্ৰত মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ সভাপতি সভাপতি বিমল মেধি, উপ-সভাপতি প্ৰফুল্ল ডেকা, উপদেষ্টা দীনবন্ধু মহন্তকে ধৰি শতাধিক ভকত আই মাতৃ উপস্থিত থাকে। ইয়াৰোপৰি শঙ্কৰদেৱ ৰাজহুৱা পুথিভঁৰালৰ শতবৰ্ষ উপলক্ষত আয়োজন কৰা চিত্ৰাংকন আৰু বানান প্ৰতিযোগিতাৰ ফলাফল সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰদান কৰা হয়। পিছত ভকতসকলৰ উপস্থিতিত হৰিধ্বনিৰে ধৰ্ম ধ্বজা অৱতৰণৰে জন্ম জয়ন্তীৰ সামৰণি পৰে।

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

■ বিতোপন গগৈ
শিমলুগুৰি, লখিমপুৰ




**ক**বিতাই জীৱন জগতৰ কথা কয়। কবিতাই মানুহৰ কথা কয়। উদ্বেলিত হৃদয়ৰ থৌকি-বাথৌ অনুভৱত কবিতাৰ শব্দই উচুপি উঠে। আনন্দৰ লহৰ তুলি সেউজীয়া উশাহ হৈ পৰে কবিতা। সাগৰৰ ঢৌ চুমি জিল্‌মিল্‌ ৰ'দত কেতিয়াবা শোক বিহ্বল আকুল আশ্ৰয় হৈ পৰে কবিতা। কঠোৰ সংগ্ৰামৰ দাপোণ যেন কবিতাৰ প্ৰেমিক প্ৰেৰণা। এনেদৰেই ব্ৰহ্মাণ্ডৰ ঘূৰ্ণন বিনোদন, সংঘাত আস্ফালন। ধুমুহা যুদ্ধ। শান্তি-প্ৰগতি।

প্ৰাচীন কালৰে পৰাই পদ্য ছন্দৰ সমৃদ্ধময় গুঞ্জৰিত চেতনাই মন-প্ৰাণ পুলকিত কৰি ৰাখিছে যুগ যুগান্তৰৰ মানুহক। পাতনি দীঘল নকৰাকৈ দহজাঁপ মাৰি পাৰ হ'ব বিচাৰো সমুদ্ৰ কবিতাৰ মহাসমুদ্ৰ। সংস্কাৰ ধ্বনি ফাউণ্ডেচনে বিজ্ঞানৰ অভুতপূৰ্ব জয়যাত্ৰাৰ সময়ছোৱাত 'জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওক।' চিন্তাৰে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' শীৰ্ষক ১১৩৮ পৃষ্ঠাৰ কাব্য সংকলন প্ৰকাশ কৰি উলিয়ালে। মুখ্য সম্পাদক ড° হিতেশ গোস্বামী। গুণীন ফুকনৰ ব্যৱস্থাপনা। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপদেষ্টা ড° অমৰজ্যোতি চৌধুৰী আদিৰ শুভেচ্ছাবাণী বিৰাজমান।

প্ৰথম খণ্ডৰ প্ৰাক্ শংকৰী যুগৰ মাধৱ কন্দলিৰ পৰা আৰম্ভ কৰি হেম সৰস্বতী, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী... কেশৱ মহন্তৰ (আঘোণৰ কুঁৱলী)লৈকে ধাৰাবাহিক প্ৰচেষ্টা। মিছা ক'ব নোৱাৰোঁ; অগ্ৰজ আৰু প্ৰতিষ্ঠিত প্ৰয়াত কবিসকলতকৈ ক্ৰম ৰক্ষা কৰাত কিছু বিফল হোৱা পৰিলক্ষিত হৈছে। উদাহৰণ দিয়াৰ পৰা বিৰত থাকিলো। কাৰ্যবাহী সম্পাদক শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা, আৰিফা হুছেইন বৰা, উষামণি শইকীয়া, জোন বৰা, উৎপল গোস্বামী, ৰঞ্জনা পাঠক, মৌচুমী ৰাজখোৱা, এছ. আহমেদ, চবিন চন্দ্ৰ নাথ, ড° হিতেশ গোস্বামী আদিৰ জৰিয়তে ভাগ সমূহ সম্পাদিত হৈছে। ব্যৱস্থাপনা সহযোগী হিচাপে জ্যোৎস্নাৰাণী বেগমৰ নাম উল্লেখনীয়। মুখ্য উপদেষ্টা আছিল ড° নগেন্দ্ৰ নাথ শৰ্মা। আমাৰ জ্ঞানৰ সীমাবদ্ধতাৰ কথা স্বীকাৰ কৰি নতুন কবিসকলৰ এই বৃহৎ গ্ৰন্থত সন্নিৱিষ্ট মাথোঁ কেইটামান কবিতাৰে চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰিছো এজন পঢ়ুৱৈ হিচাপে। আৰিফা হুছেইন বৰাৰ কবিতা 'মই খবৰ হ'ব নোখোজোঁ'ত লিখিছে—

'কিছুমানে ঘঁৰিয়ালৰ চকুপানী টুকিছে।
আঁৰি লোৱা মোৰ ছবিলৈ চাই চাই।'

টিয়কৰ ৰবী দত্তই 'ঈশ্বৰ আহি আছে এই পথেৰে' লিখিছে—

'ঈশ্বৰৰ চকুপানী ওলাল
সন্তানৰ দুখ, কষ্ট, যন্ত্ৰণা
আৰু জীৱন দুৰ্যোগৰ বিশৃংখলিত
অৱস্থাবোৰ ঈশ্বৰে সহিব নোৱাৰে।'

গুৱাহাটীৰ ৰুমী ভূঞাই 'হৃদয়খনে নিৰলে উচুপে'ত লিখিছে—

'টাকুৰি ঘূৰাদি ঘূৰিছোঁ সদায়।
দুখীয়া হৈয়ো প্ৰাণঢালি বিলাইছো মৰম।'

তিনিচুকীয়াৰ মঞ্জু খনিকৰে তেওঁৰ কবিতা সাগৰত লিখিছে—

'লুনীয়া সাগৰৰ উৰ্মিমালাত
ওৰে ৰাতি এক প্ৰাচীন শিহৰণত
মহাসমুদ্ৰৰ মাজতো
তৃষ্ণাতুৰ মই।'

'কথাৰ মালিতা' কবিতাত শিৱসাগৰৰ ড° ৰিমঝিম বৰাই কৈছে—

'অস্ত প্ৰহৰৰ প্ৰতিটো ক্ষণ
মকৰাৰ দৰে নিজক আৱদ্ধ কৰোঁ
সেই কথাবোৰ কেতিয়াবা হৈ পৰে
বান্ধ ভগা অশ্ৰুপাতৰ স্ৰোত।'

গোলাঘাটৰ কবি দীপিকা ফুকনে 'ৰৈ ৰৈ কান্দিছে বিৰহী ৰাধা'ত জনাইছে—

'ইপাৰত ঢৌবোৰৰ
বিফল আস্ফালন
পোহৰৰ মাজত
নিঃসংগ অন্ধকাৰ।'

ধেমাজিৰ মাইনা গগৈৰ কবিতাত আছে—

'মহাশ্বেতা,
কোন যুগৰ মধুমালিতা তুমি
আত্মাৰ বেদীত
আলফুলে ফুলি থকা জীৱন ভৈৰৱী।'

বৰপেটাৰ আলমিনা পাৰবীনৰ 'ৰুদ্ধ নহয় মোৰ কণ্ঠ'ত আছে—

'বাজিব ৰণডংকা আৰু কাণ ফাটি যোৱা
উৰুলি।'

শিৱসাগৰৰ ৰৌচন আলিয়ে কবিতা 'বিপ্লৱ এটাৰ বয়স কিমান'ত কৈছে—

'ঘূণপোকে খায়, বিপ্লৱৰ বয়স
বিপ্লৱ ছিটিকি পৰে
জুই ফিৰিঙতি হৈ ৰাজপথত।'

যোৰহাটৰ আৰেছা বেগমৰ 'জীৱন' কবিতাত আছে—

'হঠাৎ আহিল যুদ্ধৰ গতিৰে জলধাৰা
পিছলি পৰিলোঁ
ক্ষত-বিক্ষত মোৰ শৰীৰ।'

যোৰহাটৰ তছলিমা নাছৰিণ 'মাইনা'ই তেওঁৰ কবিতাত অনুভৱ ঢালিছে—

'নিবিচাৰোঁ মোৰ বাবে তোমাৰ
সুখবোৰলৈ অন্ধকাৰ নামি অহাটো।'

গোলাঘাটৰ অপূৰ্ব হাজৰিকাই 'হেৰাই গ'ল নেকি মানুহৰ মানৱতা' শীৰ্ষক কবিতাত ক্ষোভ উজাৰিছে। বোকাখাটৰ মনালিছা শইকীয়াৰ 'মাত' কবিতাত আছে—

'ৰাতিৰ নিৰ্জনতা ভাঙি
কলিজাত মাতবোৰ
ৰৈ ৰৈ বাজে।'

ধেমাজিৰ দেৱীনা পামেগাম পেগুৱে 'বিশ্বাস'ত কৈছে—

'হৃদয়ত এমুঠি সেউজীয়া সিঁচি
কিয় ড্ৰেগনৰ বিষ বিয়পালা?'

লখিমপুৰৰ বুলমণি বৰিয়ে 'কলিজা ফলা উদং জেপটো'ত লিখিছে—

'দপ্‌দপকৈ জ্বলি থকা হোমৰ জুইত
আহি বহিছিল তাইৰ দৰা
আয়তীৰ উৰুলিত মোৰ বুকু ভাঙিছিল।'

নগাঁৱৰ ড° তৰুণ চন্দ্ৰ বৰাৰ কবিতা 'বেদুইন মই'ত আছে—

'পাৰ হ'বইতো লাগিব পাবলৈ সেউজ ধৰণী
বিশাল মৰুভূমিৰ বেদুইন মই।'

কামৰূপৰ বনশ্ৰী বৰ্মা ডেকাৰ কবিতা 'শীত নহা চহৰৰ সাধু'ত আছে—

'চহৰখনৰ গলিবোৰ চুই নোচোৱাকৈয়ে
উভতি যায়
সহিব নোৱাৰি গোলকীয় উষ্ণতা।'

ডিব্ৰুগড়ৰ ৰুমী কলিতা দত্তই লিখিছে—

'ক্লেদময় আকাশত নিগৰি আহে শূন্যতা
তোমাৰ বিশাল বুকুত কত কালধুমুহা।'

পাঠশালাৰ বৰষা কাশ্যপে 'ইয়াত এতিয়া আন্ধাৰ' কবিতাত লিপিবদ্ধ কৰিছে—

'ঠিক এইখিনিতে উমলি আছিল
কুঁৱলীৰ চাদৰ সৰকি উৰি অহা
পুৱাৰ এমুঠি ৰ'দ।'

তেজপুৰৰ কবি ৰঞ্জিত বৰাই 'প্ৰস্তৰ'ত কৈছে—

'য'ত মোৰ চকু দুটা সুলকি পৰিছিল
তাত আজিও গছ নগজিল।'

চৰাইদেউৰ ৰাতুল চেতিয়া ফুকনে 'ধিক্কাৰ' দিছে—

'মানুহৰ পৰা বান্দৰ হোৱালৈ ডাল বগোৱাৰ
প্ৰতিযোগিতা।'

যোৰহাটৰ জুলি বৰুৱাৰ কবিতা 'মৃগনাভি'ত আছে—

'তুমি চুই যোৱা পৰাণ
বিনা অনুমতিত
আৰু দি যোৱা সুগন্ধি সপোন একোটা।'

কাহিলিপাৰাৰ পৰিমিতা দাসৰ কবিতা 'এক আধৰুৱা অধ্যায়'ত সন্নিৱিষ্ট হোৱা অনুভৱৰ টুকুৰা—

'ঠিক যেন আৰম্ভ হ'বলৈ ওলাইছিল
অনুভৱৰ সাগৰত এখন কিতাপৰ
এটা নতুন অধ্যায়ৰ।'

বাইহাটা চাৰিআলিৰ চন্দনা চৌধুৰীৰ 'উৎকণ্ঠা'ত আছে—

'জীৱনৰ অনাদৃত অনুভৱ
আকৌ ঘূৰি অহা যেন লাগিছে।'

লখিমপুৰৰ পুলিন দত্তৰ কবিতাত 'আপুনি দেশপ্ৰেমী, মহাবীৰ লাচিত বৰফুকন' আছে।

বিশ্বনাথৰ প্ৰেম বৈষ্ণৱ, গুৱাহাটীৰ চন্দনা ভাগৱতী, টিহুৰ চন্দামিতা চৌধুৰী কলিতা, গুৱাহাটীৰ সবিতা পি বৰদলৈ, ৰাবিয়া বেগম, দুলীয়াজানৰ দীপ্তি বড়া গগৈ, গহপুৰৰ টেজেন হাজৰিকা, ঢকুৱাখনাৰ জ্যোতিনীলিমা গগৈ, মৌচুমী হাতীবৰুৱা, কাৰ্বি আংলঙৰ ৰশ্মিৰীয়া গগৈ, মৰিগাঁৱৰ নৰৰঞ্জন, বিহপুৰীয়াৰ সীতা দেৱী আদিৰ কবিতা আছে।

মেঘালয়ৰ জয়া ৰৌফ, নগাঁৱৰ জিন চাংমাই (পিতাই আৰু পথাৰ), গুৱাহাটীৰ ড° অসমী গগৈৰ (এজন প্ৰেমিকৰ সন্ধানত), স্বৰ্গজ্যোতি চেতিয়াৰ (দুঃখৰ ৰজনীত সুখৰ পুৱতি বিচাৰি, দৰঙৰ প্ৰিয়ংকা ভৰদ্বাজৰ (অনুভৱৰ এমুঠি শব্দ) বিৰাজমান। গুৱাহাটীৰ কাজললতা মেধিয়ে 'প্ৰেমৰ মণিমালা'ত লিখিছে—

'দুখৰ শতচ্ছিন্ন পোছাক আৰু ডিঙিত
কাঁইটিয়া কেক্‌টাছৰ মালা।'

সোণাৰীৰ অনিল ফুকনৰ কবিতা (হেঁপাহৰ মোনাটো), পাঞ্জাবাৰীৰ স্বপ্নালী নাথৰ (বুকুত এবুকু শব্দৰ জুই), নলবাৰীৰ বসন্ত নিবিড়ৰ (কিয় প্ৰকাশ কৰি থাকিব লাগে বাৰে বাৰে) আদি প্ৰণিধানযোগ্য কবিতা।

যোৰহাটৰ দিব্যা দত্তই তেওঁৰ কবিতা 'প্ৰেম কি?'ত লিখিছে— 'প্ৰেমৰেই জয়গান গাওঁ; হৃদয়ৰ পৰা হৃদয়লৈ নিজক বিচাৰি যাওঁ।' মঙলদৈৰ পংখী কাজল কায়স্থৰ 'মোৰ গাঁৱলৈ অহা কবিগৰাকীলৈ', দুলিয়াজানৰ ৰিজুমণি শইকীয়া তামুলীৰ 'উপহাৰ', যোৰহাটৰ ডাঃ নৰোত্তম সোণোৱালৰ 'প্ৰতীক্ষা', অলকা মহন্ত বৰুৱাৰ 'মৃত্যু' ইত্যাদি কবিতাত এবাৰ চকু ফুৰালোঁ।

এইয়া ডায়েৰীৰ এক টোকা। থাউকতে পঢ়া কেইটামান কবিতাৰ ভাললগা স্তৱক আৰু কেৱল নামোল্লেখ। বহুতো প্ৰতিষ্ঠিত কবিৰ লগতে অন্যান্য সকলক সামৰি ল'ব নোৱাৰি দুঃখিত। 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'ৰ সমালোচনা বিদগ্ধজনে কৰিব।

সকলোলৈ স্নেহৰ সঁফুৰা।

ম'বাইল: ৯৩৬৫১৬৮৮০৬

# ৰেডিঅ'ৰ কথাৰে

■ ড° বনিমা তালুকদাৰ
ম'বাইল: ৯৪৩৫১-৪৪৭৯৪




**এ**টা সময় আছিল যেতিয়া আমাৰ দিনবোৰ ৰেডিঅ'ৰে আৰম্ভ হৈছিল। মই ক'ব বিচাৰিছো সত্তৰ আশী দশকৰ কথা, যিখিনি সময়ত শক্তিশালী শ্ৰব্য মাধ্যম হিচাপে ৰেডিঅ'ই কাম কৰিছিল। ৰাতিপুৱা ভক্তিমূলক গীতৰ পৰা আৰম্ভ কৰি গীতিমালিকা, আঞ্চলিক বাতৰি, আইদেউ বুলনি, বোলছবি গীত, বিদ্যাৰ্থীৰ অনুষ্ঠান, পৰিয়াল কল্যাণ অনুষ্ঠান, বিচিত্ৰা, বিদ্যাৰ্থীৰ অনুষ্ঠান, কৃষিজগত, খেলৰ ধ্বনী, বিভিন্নখন ধাৰাবাহিক নাটক আৰু ক'ত যে কি? দেওবাৰৰ দিনটোত ভাত পানী সোনকালে খাই ৰেডিঅ'ৰ কাষত বহি পৰিছিলো ধাৰাবাহিক নাটকবোৰ শুনিবৰ বাবে। ৰেডিঅ'ৰ লগত সময়বোৰ কেনেকৈ পাৰ হৈ গৈছিল, উমানে পোৱা নাছিলো। পঢ়া-শুনা মই যিমানে নকৰো কিয় অনবৰতে ৰেডিঅ'টো মোৰ কাষত লাগিছিল। সেইবাবে মই যেতিয়া বৰপেটালৈ চাকৰি সূত্ৰে যাবলৈ ওলালো দেউতাই লগত এটা ৰেডিঅ'দি পঠাইছিল। বৰপেটাত মোৰ অকলশৰীয়া জীৱনত ৰেডিঅ'টো এটা সংগীৰ দৰে হৈ পৰিছিল। স্নাতকত উত্তীৰ্ণ হোৱাৰ পিছত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ যুৱবাণী অনুষ্ঠানত অংশকালীন ঘোষিকা হিচাপে প্ৰায় পাঁচ বছৰ কাম কৰিছিলোঁ। বহু গণ্য মান্য ব্যক্তি, গুণী শিল্পীক লগ পাইছিলো এই ৰেডিঅ' চেন্টাৰতে। সেই সকলৰ ভিতৰত আছিল গায়ক খগেন মহন্ত, নাট্যপৰিচালক নীলু চক্ৰৱৰ্তী, বোলছবি পৰিচালক তথা ঘোষক ধীৰু ভূঞা, গীতিকাৰ কীৰ্তিকমল ভূঞা, বাঁহীবাদক প্ৰভাত শৰ্মা, গায়ক কুল বৰুৱা, ঘোষিকা বিবি দেৱী বৰবৰা, গায়ক জে.পি দাস, ঘোষক অৰুনী বৰা, বাতৰি বিভাগৰ বন্তি বৰপুজাৰী, বাতৰি পঢ়োতা অৰুন বৰপুজাৰী, নীৰেণ বৰুৱা,গায়ক অসীম হাজৰিকা, সুৰকাৰ বিপুল বৰুৱা, ৰমেন চৌধুৰী, অৰুনী পাঠক আদি। এই সকল চিৰ নমস্য ব্যক্তিৰ পৰা বহু কথা জনা বা শিকাৰ সুবিধা পাইছিলো। বহু অনুষ্ঠান কাৰ্যবাহীৰ তলত কাম কৰাৰ সুবিধা লাভ কৰিছিলো। তাৰ ভিতৰত বেছিকৈ মনত পৰে দিলীপ দাস, মনোৰঞ্জন দাস, ডগৰ ৰাভা, ৰাজীৱ ফুকন দাক। যুৱবানীত থকা সময়ছোৱাত আমি এক পৰিয়ালৰ দৰে কাম কৰিছিলো। চাকৰি জীৱনটো ৰেডিঅ'ৰ নিচা মই এৰিব নোৱাৰিলোঁ। মাজে মাজে দুটা এটা অনুষ্ঠান সময় পালে ৰেডিঅ'ত এতিয়াও কৰো। চানমাৰিৰ কাষেদি পাৰ হৈ গ'লে ৰেডিঅ' চেন্টাৰে যেন এতিয়াও বাউল দি মাতে। ৰেডিঅ'ৰ পৰা মই যিমান জ্ঞান আহৰণ কৰিলোঁ, সেইয়া নিশ্চয় আন ক্ষেত্ৰবোৰে পূৰণ কৰিব নোৱাৰিব। আজি আকৌ ৰেডিঅ'ৰ দিনবোৰ সুঁৱৰি নষ্টালজিক হৈ পৰিলোঁ।

# ক'ৰবাত নিশা এটা উজাগৰে আছে

■ পদ্ম মৰাণ

তিনিচুকীয়া কাকপথাৰ

**ব**হুত দিন হ'ল 'চাহেব পুৰাৰ বৰষুণ' উপন্যাসখন মেলি চোৱা নাই , আচলতে জীৱনৰ ব্যস্ততাবোৰৰ পৰাই এনেকুৱা হয় কেতিয়াবা কিছুমান কিতাপৰ কাহিনীবোৰ সম্পূৰ্ণ কৈ পঢ়িব পাৰো আৰু কেতিয়াবা কিছুমান কাহিনী আধা পঢ়া কৈ সামৰি থ'ব লগা হয়, সেইকাৰণে বেয়া পাও মই কিতাপ এখন আধা মেলা কৈ পঢ়িবলৈ, হ'লেও কেতিয়াবা মন যায় আজৰি সময় কন নিজৰ সৈতে খৰচ কৰিবলৈ। ঘৰ এখন চম্ভালা কিমান কষ্টকৰ কেৱল ঘৰৰ মানুহ গৰাকীয়ে উপলব্ধি কৰিব পাৰে, হ'লেও তাৰ মাজতে বহুত কেইখন উপন্যাস পঢ়িছো। কিছুমান উপন্যাস পৰাই বাস্তৱ জীৱনৰ সন্ধান পাব পাৰি আৰু কিছুমান উপন্যাস পৰা এটা সামাজিক জীৱনৰ প্ৰতিচ্ছবি দেখি পাব পাৰি। সেয়েহে মই এটা কম বয়সৰ পৰাই উপন্যাস জগতখনলৈ প্ৰৱেশ কৰিছিলোঁ। কথাখিনি ভাবি ভাবিয়েই সুবালাই ঘৰৰ ইটো হিটো কাম কৰি আছে হঠাতে কলিং বেলটো বাজি উঠিল।

ঃ অ' আহিলা

মানুহজনৰ কোনো প্ৰতিক্ৰিয়া নাই মাত্ৰ

ঃ উম

ঃ গা বেয়া নেকি

ঃ না নহয় ।

এইজনেই হ'ল সমীৰ, সুবালাৰ স্বামী। সিহঁতৰ প্ৰায় সংসাৰ কৰা তিনি বছৰে হ'ল দুয়ো দুয়োজনে অতি সোনকালে বুজি উঠে, দুয়োজনৰ মাজত ইমানেই বিশ্বাস আৰু প্ৰেম যে সিহঁতক আন মানুহেও আজিৰ সময়ৰ ৰাধা কৃষ্ণ বুলি জোকাই, ভাল লাগে সুবালাৰ যেতিয়া প্ৰিয় ভগৱানৰ নামৰ সৈতে তুলনা কৰে, অন্ততঃ মানুহবোৰৰ উপহাৰত প্ৰিয় ভগৱানজনৰ নামটো জড়িত হৈ থাকে। আন দিনা অফিচৰ পৰা আহি স্ফূৰ্তিৰে সুবালা বুলি এটা দূৰৰ পৰাই চিঞৰি আহে, কিন্তু সেইদিনা কিছু ব্যতিক্ৰম আছিল। অফিচৰ পৰা আহিল যি আহিল মুখত কোনো মাত নাই। আহিল আৰু চোফাখনতে বাগৰি পৰিল। সুবালাই পানী খাবা নেকি বুলি এবাৰ সুধিছিল সমীৰৰ হুমুনিয়াহ সৰিছিল ।

ওচৰত গৈ মুখৰ পৰা নিচা জাতীয় গোন্ধ নিগৰি আহিছে, গোন্ধটো পাই সুবালা হতবম্ব হৈ পৰিল নিজকে কোনখন পৃথিৱীত আছে যেন লাগিল মূৰত বিষ এটা ওলমি ৰৈছিল, কোনো দিনে মুখত সুৰা সেৱন নকৰা ব্যক্তিজনে আজি সুৰা পান কৰি আহিছে এইয়া সপোন দেখি থকা নাইটো নিজৰ গা টোত এবাৰ চিকুত মাৰি চালে নাই এইয়া সপোন নহয় বাস্তৱ এইয়া সঁচাকৈ কঠোৰ সময়ৰ বাস্তৱ।

নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই, সুবালাই টো এতিয়াৰ চিনাকি নহয় সেই কলেজ পঢ়ি থকা দিনতেই চিনাকি, বৰ অমায়িক আছিল ল'ৰাজন, কোনো ল'ৰা লগতে কাজিয়া লাগি পোৱা নাছিল, সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে সৰল স্বভাৱৰ বাবে বৰ ভাল পাইছিল, লগৰবোৰে মৰমতে চুম বুলি মাতিছিল, প্ৰথমে সিহঁতৰ প্ৰেমৰ কথা কোনেও গম পোৱা নাছিল পাছলৈ সুবালাই নিজে ঘৰত কৈছিল, মাক দেউতাকে লৰাজনৰ পৰিচয় গম পোৱা পাছত কোনো প্ৰতিক্ৰিয়া দিয়া নাছিল আনকি সুবালাক সমীৰৰ পৰা আঁতৰি যাবলৈ ধিক্কাৰ দিছিল। কাৰণ সমীৰৰ আপোন বুলিবলে কোনো নাছিল এজন অনাথ শিশু আছিল অনাথ আশ্ৰমত ডাঙৰ হৈছিল। কোনো পৰিয়ালৰ সদস্য নথকাৰ বাবে সুবালা ঘৰৰ মানুহে এই প্ৰেমৰ স্বীকৃতি দিব বিচৰা নাছিল। দিনবোৰ বাগৰিল সুবালাৰ বাবে ঘৰৰ মানুহে দৰা ঠিক কৰিছিল সেই মতে চাবলৈ আহিছিল কিন্তু ল'ৰাজন দেখা মাত্ৰকে না কৰিছিল, নাই উপায় নাছিল মাক দেউতাকৰ। এবাৰ সমীৰক সিহঁতৰ ঘৰলৈ মাটি পঠাইছিল মাক দেউতাকে কথা বতৰা আৰু ব্যক্তিত্ব দেখি ইমানেই মোহিত হৈ পৰিছিল, সিহঁতে ভাবি পেলাইছিল, হয়টো ইমান সৰল ভদ্ৰ অমায়িক ল'ৰা চাগে এই পৃথিৱীত খুব কম ওলাব মাজনীৰ চিন্তা আৰু পছন্দক সন্মতি প্ৰদান কৰিব লাগিব। এইবুলি ভাবিয়েই ধুম ধামেৰে বিয়া পাতি দিলে। বিয়াৰ পিছত দুয়োৰে সংসাৰ সুন্দৰ ভাৱে চলিছিল। কোনো দিনে মুখত সুৰা সেৱন কৰা নাছিল, কোনো দিন এনেকুৱা ৰূপত দেখা নাছিল। কিন্তু সেইদিনা যেন আচহুৱা অনুভৱ হ'ল, কিয় এনেকুৱা বস্তুবোৰৰ আশ্ৰয় লৈছে। মনৰ মাজত হাজাৰটা চিন্তাই আমনি কৰিলে। কিয় ভাৱৰ প্ৰশ্ন এটা সেইদিনা বুকুত ৰৈ গ'ল।

কিমান সফলতাই এজন ব্যক্তিক পূৰ্ণ কৰিব পাৰে বাৰু। হয়টো নোৱাৰে সফলতাই এজন ব্যক্তি এটা পদত অধিষ্ঠিত হে কৰিব পাৰে কিন্তু মনৰ সুখী চাগে কৰিবলৈ সক্ষম নহয়, সফলতাৰ বাহিৰেও থাকে কিছুমান বস্তু, লাগে সফলতাৰ বাহিৰেও লাগে কিছুমান আনুসংগিক প্ৰয়োজনীয় বস্তু যিবোৰে এজন ব্যক্তিক পূৰ্ণ কৰি দিব পাৰে। সফলতাই সঁচাকৈ নোৱাৰে চাগে আকাশ চুবলৈ নহ'লেনো দুজন ব্যক্তিৰ এখন সুন্দৰ সংসাৰ এদিনতে পৰিৱৰ্তন আহি পৰে নে, সৌ সিদিনা লৈকে নম্ৰ ল'ৰাজন হঠাতে নিচাত ধৰিব লগা অৱস্থা হয় নে, কথাবোৰ মনত বুজাব নোৱাৰা, সামৰি থ'ব নোৱাৰা এটা কষ্টই আবৰি ধৰিছে সুবালাক। হ'লেও দৈনিক কাম কেইটা কৰাৰ বাবে ৰাতিপুৱা সোনকালে উঠি ভাত বনালেগৈ, ঘৰৰ কামবোৰ নিয়াৰিকৈ কৰিলে, সমীৰে মাত্ৰ ভাত কেইটা খালে আৰু কোনো মাত নিদিয়াকৈ অফিচলে ওলাই গ'ল।

ঃ আজি আকৌ সেইবোৰ খাই নাহিব দেই

পিছফালৰ পৰা সুবালাই চিঞৰি কৈ উঠিল, ঘৰৰ কাম কেইটা কৰি আজৰি হৈ সুবালাই অলপ বহিছিল নোৱাৰিলে সেই ৰাতিৰ দৃশ্যটোৱে মনত ভাঁহি আহিল, পৰা নাই কথাখিনি সামৰিবলৈ। ইমান আৱেগিক হৈ পৰিল নে তাই কালি সেইটো যেন অনুভৱ কৰিব নোৱাৰিলে। একেবোৰ কথাই আমনি দি থকাত অনুৰাধা শৰ্মা পূজাৰীৰ চাহেব পুৰাৰ বৰষুণ কিতাপখন মেলি ল'লে। কিতাপখন পঢ়ি থাকোতে কেতিয়ানো তিনি বাজিল গমেই নাপালে, ইফালে সমীৰ ঘৰ পাবলৈ হ'ল ততাতৈয়াকৈ কিবা এটা ৰান্ধিবলৈ লৰ মাৰিলে কিছু সময় পাছত সমীৰ আহি পালে, ঠিক আগৰ দিনাৰ দৰে মনত কোনো প্ৰশস্তি ভাৱ নাই, অনবৰত হাঁহি এটা মুখত লাগি থকা মুখখন খৰাং দৰে হৈ আছে। মাথোঁ নিচা সেৱন কৰা নাই। ভাত পানী খাবলৈ দি অলপ আৰাম কৰিবলৈ সমীৰ নিজৰ ৰূম গুচি গ'ল, সুবালাই কিতাপখন সামৰি ফুলত পানী দিয়াত লাগিল।

য'ত মানসিক শান্তি নাই তেনে সফলতাৰ কোনো অৰ্থ নাই। এইকেইদিন সমীৰ সঁচাকৈ মানসিকভাৱে ভাগি পৰিছে কাৰণটো সুধিলেও নকয় মাথোঁ সামৰি থয় একো নাই নাই বুলি তুমি এনেই চিন্তা কৰিছা। ৰাতি ভাত পানী খাই দুয়ো বিছনাত বাগৰ দি আছিল

ঃ তোমাক কথা এটা সোধো। কিন্তু সঁচা উত্তৰ দিবা

ঃ কোৱা কি কথা

ঃ তোমাৰ এইকেইদিন কি হৈছে। লক্ষণবোৰ কিছু ব্যতিক্ৰম লাগিছে যে

ঃ সঁচাকৈ একো নাই হোৱা অ।

বহুত বাৰ কথাৰ উত্তৰ বিচাৰিছিল, কিন্তু উত্তৰটো চমুকৈ সামৰি থৈ দিয়ে। শেষত মোৰ শপত, মোৰ ভাল পোৱা শপত খাই কোৱা কি হৈছে , মিছা কৈ নক'বা কিন্তু।

সমীৰ বিপাঙত পৰিল, ইমান ডাঙৰ শপত এটা বাবে ৰাজী কৰাই দিলে, কি কৰে উপায় নাই কিছু সময় কিবা এটা ভাবি সেমেকা চকুৰে কৈ উঠিল

ঃ মই চাকৰিটো বাদ দিম বুলি ভাবিছো জানানে।

সুবালা এইবাৰ একেথৰে সমীৰ মুখৰ ফালে চাই ৰ'ল, সেই চাকৰিটোৰ পৰাই সিহঁতে ইমান দিন চলি আছে সিহঁতৰ একমাত্ৰ জীৱিকা সেই চাকৰিটো। চাকৰি বাদ দিলে কেনেকৈ চলিব সিহঁত, হঠাৎ চাকৰি বাদ দিয়া কথা, কিয় এনেকুৱা সিদ্ধান্ত লৈছে ভাবি পোৱা নাই সুবালাই।

ঃ তুমি কি কৈ আছা এইবোৰ এবাৰ ভাবি চাইছা নে

ঃ মই সকলো ভাবিয়ে এনেকুৱা এটা সিদ্ধান্ত লৈছোঁ।

সুবালাৰ মুখৰ মাত হেৰাই গ'ল। কিয় এনেকুৱাবোৰ কৰিছে সমীৰ, কথাবোৰ সুধিও উত্তৰবোৰ যেন থমকি ৰৈছে। কিছু সময় পিছত এটা দীঘল উশাহ ল'লে লগতে সমীৰৰ হুমুনিয়াহ এটা সৰিছিল।

ঃ কথা এটা ক'ব পাৰো যদি তুমি মনত দুখ নকৰা

এই বাক্য শাৰীলৈ যেন ৰৈ আছিল সুবালাই, মাত্ৰ

উম্ বুলি কৈ থ'লে

ঃ আমাৰ বিয়া হোৱা ৩ বছৰ হ'ল, অহা জানুৱাৰী মাহত ৪ বছৰ সম্পূৰ্ণ হ'ব।

কথা কেইটা কৈ ৰৈ গ'ল সমীৰে

ঃ উম গম পাওঁ পিছৰখিনি কোৱা

ঃ মই চাকৰি কৰা অফিচতোৰ কেইজনমান লগৰ আছে সিহঁতে মোক মানসিকভাৱে ইমান বিকাৰগ্ৰস্ত কৰি তুলিছে যে, মোৰ বোলে বিয়া হোৱাৰ পাছত সন্তান নাই মই বোলে আৰু মোৰ পত্নী বোলে অমংগলীয়া, মোৰ জীৱনত এজন সন্তানৰ আৱশ্যক আছিল এইবোৰ সদায় মোৰ আগত পদ্য পাঠ কৰি থাকে, সেয়েহে সেইদিনা খণ্ডত নিচা সেৱন কৰি ঘৰ আহিলো।

কথা কেইটা কৈ কান্দি উঠিল সমীৰ, সুবালাই কথা কেইটা শুনাৰ পিছত বুকুখনত বিষ এটাই খুন্দা মৰাৰ দৰে অনুভৱ হ'ল, বুজি উঠিল সুবালাই সঁচাকৈ ভাগি পৰিছে তেওঁৰ সমীৰ, সাধাৰণতে পুৰুষ মানুহে নাকান্দে, বা দুৰ্বল নহয় কিন্তু কিমান বেছি ভিতৰি ভাগি পৰিলে এজন পুৰুষে এনেদৰে কান্দি উঠে, তাতো উজাগৰী নিশাত।

কথাষাৰ সঁচাকৈ শুনি অনুতপ্ত সুবালা, সংসাৰ কৰা বছৰ হ'ল সঁচাকৈ যাৰ হ'লেও দেউতাক, মাক হ'বলৈ ইচ্ছা প্ৰকাশ কৰে, কিন্তু আমাৰ ভাগ্যত নাই চাগে, এই জনমত সন্তানৰ মুখ দেখিবলৈ নাপাম চাগে, দুচকু পানীৰে উপচি পৰিল। কি উত্তৰ দিব সুবালাই, কোনো দিনে নভবা এটা কথা কৈ পেলালে সমীৰে, হয়তো কথাষাৰ দুয়োজনে মনে মনে ভাবিছিল, কিন্তু সন্তান অবিহনে নিজৰ সুখখিনি বিচাৰি ল'ব জানিছিল, নিজৰ জীৱনটো ধুনীয়াকৈ সজাই তুলিব পাৰিছিল, অনাথ আশ্ৰমৰ শিশুসকলক গৈ মাজে মাজে মৰম কৰিছিল, মন পছন্দ খাদ্য বনাই নি শিশুসকলক খুৱাইছিল, তাতেই সুখ বিচাৰি পাইছিল। কিন্তু নিজৰ সন্তান কথা বহুত বাৰ ভাবিছিল, ভগবানৰ অনিচ্ছা বস্তু এটাতো কেতিয়াও লভিব নোৱাৰি, সেয়েহে দুয়ো সেই পৰিকল্পনাটো সামৰি নিজক বৰ্তমানৰ লগত মিলাই লৈ গৈছিল, কিন্তু আজিৰ পৰিৱেশটো এনেকুৱা আহি পৰিল যে কি ক'ব কেনকৈ পৰিৱেশটো পাতলাব একো শব্দই বিচাৰি পোৱা নাই, কেতিয়াবা কিছুমান পৰিস্থিতিত শব্দবোৰেও চোন লুকা ভাকু খেলে।

ঃ তুমি সুখী নহয় নেকি আমাৰ এই জীৱনটোত

সমীৰে লগে লগেই উত্তৰ দিলে

ঃ মই সঁচাকৈ সুখী, বহুত সুখী। এইবোৰ কথা তোমাক নকওঁ বুলি ভাবিছিলো, তুমি মনত কষ্ট পাবা বুলি কিন্তু তুমি জোৰ কৰা কাৰণে হে ক'লো

চকুলো সামৰি মুখত মিচিকিয়া হাঁহি এটা আঁকি লৈ কৈ উঠিল

ঃ ভগৱানে দিয়া প্ৰত্যেকটো বস্তুৱে আজিলৈকে গ্ৰহণ কৰিছো, কিন্তু ভগৱানৰ অনিচ্ছা সত্বেও তুমি আৰু মইও যাব নোৱাৰো, সন্তান এইবোৰটো সকলো ভগৱানৰ ওপৰত নিৰ্ভৰ, যদি ভগৱানে মিলাই দিয়ে নিশ্চয় এদিন আমিও সেই সুখৰ গৰাকী হৈ পৰিম

সুবালাৰ কথা কেইটাত বহুত বেছি আৱেগ লুকাই আছিল সমীৰে বুজি উঠিছিল। মনটো ভাল। লগাবলৈ পুনৰ কৈ উঠিল

ঃ এ এইবোৰ বেছি নাভাভিবা, আজিৰ পৰা মইও নাভাবো। আমাৰ লগত আশ্ৰমৰ কন কন ল'ৰা-ছোৱালীএবাৰ আছে নহয়।

কথাষাৰে সঁচাকৈ সুবালাৰ মনলৈ প্ৰশান্ত সুখ এটা বিয়পাই আনিছিল, এটা হাঁহিৰে মূৰ দুপিয়াইছিল, চকুয়েদি বৈ অহা টোপালকেইটা হাতেৰে মচি দিছিল সমীৰে,

ঃ ব'লা এতিয়া মোৰ লগত

ঃ ক'ত যাওঁ,

হাতত ধৰি বাহিৰলৈ লৈ গৈ পূৰ্ণিমা আকাশৰ জোনটোলৈ আঙুলিয়াই দেখুৱাইছিল,

ঃ সৌৱা চোৱা, জোনবাইটোৱে আমাৰ কাহিনী শুনি আছে, আমাৰ ফালে নীৰৱে চাই আছে।

সেই সময়ত মৃদু বতাহ এজাক পাতলকৈ বলিছিল, জোনবাইৰ পোহৰে জোনাক কৰি তুলিছিল আকাশখন। সুবালাই সমীৰৰ গাতে পৰি দিছিল, সমীৰে মৰমেৰে সাৱটি ধৰি জোনবাইটোৰ ফালে কিছু সময় চাই থাকিল।

সেই সময়তে ক'ৰবাত পৰা নিলাক্ষীবাৰ গীতৰ কলি এটা ভাঁহি আহিছিল...

টোপে টোপে সৰে  
ভাল পোৱা বাঢ়ে  
মৰম মৰম বৰষুণ  
আগলি বতাহে  
কিনো সুৰ গুঠিলে  
হেঁপাহে নুজুৰে মন  
বাৰিষা নদীয়ে  
কিনো ঢৌ তুলিলে  
তোমালে উঠিছে মন।।

**ম'বাইল ঃ** ৬০০১০-১৮৮৩৮

## শিৱসাগৰ বাৰোৱাৰী পূজা সমিতিৰ ৯২ সংখ্যক বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৯২ বছৰ সম্পূৰ্ণ কৰা শিৱসাগৰ কেপি এম হল প্ৰাঙ্গণত অনুষ্ঠিত হোৱা ঐতিহ্যমণ্ডিত শিৱসাগৰ বাৰোৱাৰী পূজা সমিতিৰ শাৰদীয় দুৰ্গা পূজাস্থলীত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ তথ্যচিত্ৰ প্ৰদৰ্শনেৰে জনোৱা হয় ৰাজহুৱা শ্ৰদ্ধাঞ্জলি। উল্লেখ্য যে, শিৱদৌলৰ মুখ্য পুৰুহিত সুৰেশ বৰঠাকুৰে দ্বাৰ মুকলি কৰা পূজাভাগিৰ সপ্তদশ শৰৎ উৎসৱৰ সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰি দুৰ্গাপূজাৰ লগত সংগতি ৰাখি ভগ্নী সংগঠন বাৰোৱাৰী মহিলা মঞ্চই কেৱল মহিলাসকলৰ মাজত এক আধ্যাত্মিক প্ৰতিযোগিতাৰ আয়োজন কৰে। শিক্ষাবিদ তথা আধ্যাত্মিক জ্ঞানৰ সাধক মীৰা শৰ্মাই প্ৰতিযোগিতাখনি দেৱীৰ মাহাত্ম্য বৰ্ণনা কৰি উদ্বোধন কৰাৰ সমান্তৰালকৈ শিল্পী উৎপলা শ্ৰুতিকৰ বৰুৱাই 'গণপতি প্ৰাৰ্থনা' (বেদৰ আদি মন্ত্ৰ) পাঠ কৰে। অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত আয়োজন কৰা দুৰ্গা গোঁসানী নাম প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে পঞ্চামৃতা নামতি দল (শিৱসাগৰ), ব্ৰাহ্মণগাওঁ নামতি দল (জাঁজী), সপ্তাঙ্গী নামতি দল (শিৱসাগৰ) আৰু বিচাৰকৰ বিশেষ বঁটা পাবলৈ সক্ষম হয় অৰুনিমা শৰ্মা পাঠকৰ দল (টীয়ক)। উৰুলি প্ৰতিযোগিতাত প্ৰথম - অৰুনিমা শৰ্মা পাঠক দ্বিতীয়- স্বপ্নালী শৰ্মা ভট্টাচায্য আৰু তৃতীয়- সুমিতা গাৰ্গ। শংখধ্বনিত প্ৰথম -আৰাধ্যা ভৰদ্বাজ দ্বিতীয় -নৱনীতা শৰ্মা আৰু তৃতীয় - মৃনালিনী বৰঠাকুৰ। সতেজ ফুলৰ মালা গঁঠা প্ৰতিযোগিতাত প্ৰথম ৰিজুমনি গগৈ, দ্বিতীয় সাৱিত্ৰী ঠাকুৰ আৰু তৃতীয় স্থান ইন্দ্ৰাক্ষী ফুকনে লাভ কৰে বুলি মহিলা মঞ্চৰ সম্পাদিকা গায়ত্ৰী ফুকনে জনাইছে। ৰূপালী বৰকটকী লক্ষীমণি ফুকন, উৎপলা শ্ৰুতিকৰ বৰুৱা আৰু সুপ্ৰীতি খাউণ্ড বিচাৰক হিচাপে থকা প্ৰতিযোগিতাখনিত বিজয়ীসকলক একোখনকৈ মানপত্ৰ আৰু নগদ ধনেৰে পুৰষ্কৃত কৰা হয়।

# শিৱসাগৰ কবি চক্ৰৰ আতিথ্যত জিলা কবি সন্মিলনৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা কবি সন্মিলনৰ বিভিন্ন শাখাৰ প্ৰায় ডেৰ শতাধিক প্ৰতিনিধি তথা সদস্যৰ উপস্থিতিত শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত আৰু শিৱসাগৰ কবি চক্ৰৰ আতিথ্যত শিৱসাগৰ জিলা কবি সন্মিলনৰ অষ্টাদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখনি যোৱা ৫ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ নগৰৰ দ'লপথস্থিত 'ঐক্য'ৰ কাৰ্যালয়ত সফলতাৰে সামৰণি পৰে। শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি মুকুল নাথে পুৱা পতাকা উত্তোলন কৰাৰ পাছতেই সুধাকণ্ঠ ভূপেন হাজৰিকা, সদৌ অসম কবি সন্মিলনৰ জন্মদাতা 'পথাৰৰ কবি' ৰাম গগৈ, সদ্যপ্ৰয়াত অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জিলা সমিতিৰ প্ৰাক্তন সভাপতি ব্ৰজেন দাস আৰু প্ৰাক্তন সম্পাদক সুৰেশ ভূঞা আৰু উপ-সভাপতি ৰবীন বৰঠাকুৰে। উল্লেখ্য যে, শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰুমনি দত্ত ঘোষে আঁত ধৰা মুকলি সভাৰ আৰম্ভণিতে সমবেত সংগীত পৰিৱেশন কৰে নাজিৰা শাখা কবি সন্মিলনৰ শিল্পীসকলে আৰু মুকলি সভাত সভাপতিত্ব কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ বিদায়ী সভাপতি মুকুল নাথে। আনহাতে উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ভাৰপ্ৰাপ্ত সম্পাদক প্ৰাঞ্জল আবিৰ দাসে। 'কাব্যধ্বনি অসম'ৰ মুখ্য সম্পাদক যোগেশ বিকাশ গগৈয়ে উদ্বোধন কৰা মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট লেখক তথা জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই 'কাব্যগুঞ্জন' শীৰ্ষক পত্ৰিকাখন উন্মোচন কৰে। মুকলি সভাৰ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকী, 'কাব্যধ্বনি অসম'ৰ সম্পাদক লক্ষী ফিল'বাৰী, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক পৱন শৰ্মা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল কুমাৰ দহোটীয়া, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপজ্যোতি কাকতি, বিশিষ্ট বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঁই উপস্থিত থাকি বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানতে আন্তঃৰাষ্ট্ৰীয় শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি শিক্ষক অনিল পাংগিং, ড° প্ৰশান্ত কুমাৰ চুতীয়া, ৰবীন ফুকন, ৰাজীৱ দত্ত , অসীম বুঢ়াগোহাঁইক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে ৰুদ্ৰসাগৰ নিৱাসী অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ৯৭ সংখ্যক স্থান লাভ কৰি কৃষি উন্নয়ন বিষয়া হিচাপে নিযুক্ত হোৱা বিদ্যুৎ জ্যোতি দাসক অভিনন্দন জনায়। একেখন সভাতেই বিগত সময়ছোৱাত সাংগঠনিক দক্ষতা আৰু কৰ্মৰাজিৰ বাবে শিৱসাগৰ কবি চক্ৰক শ্ৰেষ্ঠ আৰু নাজিৰা কবি সন্মিলনক দ্বিতীয় শ্ৰেষ্ঠ শাখাৰ সন্মান প্ৰদান কৰে। মুকলি সভাৰ পাছতে 'জুবিনক সুঁৱৰি কবিতা আবেলি' শীৰ্ষক কবিতাৰ অনুষ্ঠানটি উদ্বোধন কৰে জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। আনহাতে কাব্যালোচনী 'সঁজাল' উন্মোচন কৰে বিশিষ্ট কবি, সাহিত্য সমালোচক নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বৰা। উক্ত অনুষ্ঠানতে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট কবি হৰেন গগৈক 'সঁজাল কাব্য বঁটা ২০২৪ ' প্ৰদান কৰা হয়। বিশিষ্ট কবি বিজয় ৰবি দাসৰ দ্বাৰা সঞ্চালিত কবি সন্মিলনত শিৱসাগৰৰ বিভিন্ন শাখাৰ পৰা প্ৰায় সত্তৰগৰাকী কবিয়ে কবিতা পাঠ আৰু কল্পনা গোঁহাই গগৈ, দীপালী ৰাজকুমাৰী আৰু বৃষ্টিৰাণী শইকীয়াই জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটো উপভোগ্য কৰি তোলে। আনহাতে পুৱা অনুষ্ঠিত সভাত হেমন্ত ৰাজখোৱাক সভাপতি, প্ৰাঞ্জল আবিৰ দাসক সম্পাদক হিচাপে লৈ আগন্তুক দুটা বৰ্ষৰ বাবে শিৱসাগৰ জিলা কবি সন্মিলন গঠন কৰাৰ লগতে 'শিৱসাগৰ জিলা কবি সন্মিলনলৈ কোনো জাননী বা কাৰণ দৰ্শোৱাৰ সুযোগ নিদিয়াকৈ ভংগ কৰাৰ বিষয়টো তীব্ৰ বিৰোধিতা কৰি প্ৰস্তাৱ গ্ৰহণ কৰাৰ উপৰিও জিলাৰ অন্তৰ্গত কোনো শাখাকে অৱগত নকৰাকৈ আৰু শতাধিক আজীৱন সদস্যৰ মতামত নোলোৱাকৈ গঠিত নতুন সমিতিখনক অবৈধ বুলি ঘোষণা কৰে। নৱ-নিৰ্বাচিত সমিতিখনে ৰাম গগৈৰ আদৰ্শৰে আগবাঢ়ি যাব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে।' অনুষ্ঠানটিৰ সফলতাৰ আঁৰত থকা জিলা আৰু শাখাসমূহৰ প্ৰতিগৰাকী বিষয়ববীয়া তথা সদস্য আৰু কাব্য অনুৰাগীলৈ শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰুমনি দত্ত ঘোষ আৰু সম্পাদক প্ৰশান্ত বৰগোহাঁইয়ে সহৃদয়েৰে কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰে।

# ৫ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰ লৈ শুৱালকুছিত এঘাৰ দিনীয়াকৈ ৰাস মহোৎসৱৰ প্ৰস্তুতি

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতি, শুৱালকুছিৰ উদ্যোগত অহা ৫ নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ শুৱালকুছি বালিচৰৰ সেউজ দলিছাত এঘাৰ দিনীয়াকৈ ৩৩ সংখ্যক ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। ৰাস মহোৎসৱ সুচাৰু ৰূপে পৰিচালনাৰ বাবে ৰাজীৱ দাসক সভাপতি, সমীন্দ্ৰ দাসক কাৰ্যকৰী সভাপতি, প্ৰবীণ কুমাৰ দাস, গোবিন্দ দাস আৰু দ্বীপজ্যোতি বৈশ্যক উপ-সভাপতি, শিৱ প্ৰসাদ শৰ্মা, মিণ্টু দাস আৰু কুন্দন কলিতাক সম্পাদক হিচাপে লৈ এখন পূৰ্ণাঙ্গ সমিতিৰ উপৰিও চৈধ্যখন উপ-সমিতি গঠন কৰে। শুৱালকুছিৰ বালিচৰৰ সেউজ দলিচাত অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱত বিভিন্ন কাৰ্যক্ৰমণিকাৰে আটোমটোকাৰীকৈ সজাই তোলা হ'ব ৰাস মহোৎসৱ। ইতিমধ্যে পৰিচালনা সমিতিয়ে মহোৎসৱৰ প্ৰস্তুতি সম্পৰ্কে বিভিন্ন বিভাগৰ লগত যোগাযোগ কৰি ৰাস মহোৎসৱ সাফল্যমণ্ডিত কৰাত উঠি পৰি লাগিছে বুলি জানিবলৈ দিয়ে।

# লক্ষ্মী দেৱী

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি



ঔম বিশ্ব ৰূপস্য ভাৰ্য্যাসি পদ্মে পদ্মালয়ে সোভে।
সৰ্ব্বতঃ পাহি মাং দেৱী মহালক্ষ্মী নমোহস্তুতে।।

লক্ষ্মী দেৱী শ্ৰীকৃষ্ণৰ ভাৰ্যা ধনৰ অধিষ্ঠিতা দেৱী বুলি আমি ধৰ্মীয় গ্ৰন্থত পাইছোঁ। তেওঁৰ অনেক নাম আছে। ত্ৰিদেৱী ভিতৰত তেওঁ অন্যতম দেৱী।


যেতিয়া স্বৰ্গৰ দেৱতাসকলে অসুৰ ৰাজ বলিৰ হাতত পৰাজয় হয় আৰু দুৰ্বাসা মুনিৰ অভিশাপত শক্তিহীন হৈ পৰে তেতিয়া দেৱতাসকল নিজৰ শক্তি লাভৰ উপাই বিচাৰি ভগৱান বিষ্ণুৰ ওচৰলৈ যায়। ভগৱান বিষ্ণুই অসুৰ আৰু দেৱতা সকলক লগ হৈ সমুদ্ৰ মন্থন কৰিব দিয়ে। সাগৰ মন্থন কৰোঁতে সাগৰৰ পৰা ওলোৱা অমৃত পান কৰি হেৰুৱা শক্তি ঘূৰাই পোৱাৰ লগতে অমৰত্ব লাভ কৰিব। এই ক্ষেত্ৰত দেৱতাসকলক অসুৰসকলৰ সহায় ল'বলৈ ভগৱান বিষ্ণুই ক'লে -।

প্ৰথম অৱস্থাত অসুৰসকলে সন্মতি প্ৰদান কৰা নাছিল যদিও অমৰ হোৱাৰ আশাত সহযোগ কৰে। ভগৱান শ্ৰীবিষ্ণুই বাসুকী নাগ আৰু মন্দৰাচল পৰ্বতক সাগৰ মন্থনত সহায় কৰিব ক'লে। বিষ্ণুই নিজে কুৰ্ম অৱতাৰ লৈ মন্দৰাচল পৰ্বতক ধৰি ৰাখি ভাৰসাম্য ৰক্ষা কৰে। তাৰ ফলস্বৰূপে সাগৰৰ তলিৰ পৰা বিভিন্ন মূল্যৱান বস্তু, বিষ কলহ, অমৃত কলহ, লক্ষ্মী দেৱী হাতত সোণেৰে পৰিপূৰ্ণ কলচি লৈ আবিৰ্ভাৱ হয়। তেতিয়া মহাদেৱ আৰু ব্ৰহ্মাৰ কথা মতে বিষ্ণুই লক্ষ্মী দেৱীক পত্নী ৰূপে গ্ৰহণ। শৰতৰ পূৰ্ণিমাত সু-নিৰ্মল বাতাবৰণৰ সময়তে লক্ষ্মী দেৱীৰ আগমণ হয়। গোটেই পৃথিৱীত তেওঁৰ বাবেই ধনে ধানে পূৰ্ণ হয়।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# মুকালমুৱাৰ চতেমাৰীত লক্ষ্মী পূজা উদ্‌যাপন

## লক্ষ্মী পূজাৰ লগত সংগতি ৰাখি চতেমাৰী বুঢ়াগোপাল নামঘৰৰ মুখ্য দুৱাৰখন মুকলি



**শংকৰ দাস, মুকালমুৱা ঃ** লক্ষ্মী দেৱীৰ বন্দনাৰে মুখৰিত হৈছে সমগ্ৰ ৰাজ্য। মুকালমুৱাৰ চতেমাৰী গাঁৱতো উদ্‌যাপন কৰা হয় লক্ষ্মী পূজা। মুকালমুৱাৰ চতেমাৰী গাঁৱত বিগত বৰ্ষসমূহৰ দৰে এইবেলিও বৰ্ণাঢ্য কাৰ্যসূচীৰে পূৱ চতেমাৰী গাঁও পৰিচালনা সমিতিৰ উদ্যোগত লক্ষ্মী পূজা উদ্‌যাপন কৰা হয়। অমৰজ্যোতি যুৱ সংঘৰ উদ্যোগত গাঁওখনৰ লক্ষ্মী মন্দিৰত উদ্‌যাপন কৰা হয় লকঞ্জষ্মী পূজা। লক্ষ্মী পূজা উপলক্ষত ৰাতিপুৱাৰে পৰা লক্ষ্মী মন্দিৰত আয়তীসকলে নাম প্ৰসংগ অনুষ্ঠিত কৰি আধ্যাত্মিক পৰিৱেশেৰে বুৰাই পেলায়। লক্ষ্মী পূজাৰ লগত সংগতি ৰাখি গাঁওখনৰ ৰাইজৰ দান বৰঙণিৰে প্ৰায় ১০লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বুঢ়াগোপাল নামঘৰৰ মুখ্য দুৱাৰখন মুকলি কৰা হয়। মাংগলিক কাৰ্যসূচীৰে মুখ্যদ্বাৰ মুকলি কৰে চতেমাৰী গাওঁ উন্নয়ন সমিতিৰ সভাপতি অবনি তালুকদাৰে।

# দধি মোহন বৰাৰ মৃত্যুত নগাঁও জিলা সাহিত্য সভাৰ শোক প্ৰকাশ

**নগাঁও ঃ** বিশিষ্ট লেখক, কুজিদাহ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দধি মোহন বৰা সন্ধিয়া পৰালোকলৈ গমণ কৰে। বৰা কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, অসমীয়া জতুৱা ঠাঁচ, প্ৰবাদ, কবিতা, গল্প আদিকে ধৰি কেইবাখনিও গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষ্মীনন্দন বৰাদেৱৰ ভতিজা দধি মোহন বৰাদেৱৰ পৰলোকপ্ৰাপ্তিত নগাঁও জিলা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু আৰু এগৰাকী নিষ্ঠাবান, নীৰৱ সাহিত্য সাধকৰ মৃত্যু অসমীয়া সাহিত্যৰ বাবে ডাঙৰ ক্ষতি বুলি জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী আৰু সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই মত প্ৰকাশ কৰে। বৰাৰ বিয়োগৰ দুঃসংবাদটো বিয়পি পৰাৰ লগে লগে অঞ্চলটোত শোকৰ ছাঁ পৰে। জিলা সাহিত্য সভাই স্বৰ্গগত আত্মাৰ চিৰশান্তি প্ৰাৰ্থনা কৰে। দীৰ্ঘদিন বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ থকা বৰাদেৱে পত্নীৰ উপৰিও তিনিগৰাকী পুত্ৰ, বোৱাৰী, নাতিনী এৰি থৈ গৈছে।




Janasanyog RO no 2433/25/10-October-25

# শিৱসাগৰ বিধানসভা সমষ্টিত ‘শুশ্ৰূষা সেতু’ শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰৰ সফল সামৰণি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সমগ্ৰ অসমজুৰি অনুষ্ঠিত হৈ থকা ‘সেৱা সপ্তাহ’ কাৰ্যসূচীৰ অংশস্বৰূপে ৪ অক্টোবৰ, শনিবাৰে শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত গৌৰীসাগৰ, কালুগাঁও আৰু ম’ৰাবজাৰ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটৰ খেলপথাৰত অনুষ্ঠিত হৈ যায়। ডিমৌৰ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন  কলিতা, আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰূপ বিক্ৰমীয়া,  অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উপ-নিয়ন্ত্ৰক প্ৰাণজিৎ দত্ত, সহকাৰী আয়ুক্ত ক্ৰমে পৰিস্মিতা দিহিঙ্গীয়া, গণেশ চন্দ্ৰ বড়ো আৰু শুভজিৎ খাউণ্ডে অনুষ্ঠানটিৰ আৰম্ভণিতে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এই বৃহৎ স্বাস্থ্যমেলাৰ শুভ উদ্বোধন কৰে। এই শিবিৰত ৰাজ্যিক নিৰীক্ষক (State observer) তনুশ্ৰী পাঠক, বৃহৎ স্বাস্থ্যমেলাৰ ন’ডেল বিষয়া ডাঃ পাৰ্থ প্ৰতীম গগৈ, তিনিওটা স্বাস্থ্য খণ্ডৰ মহকুমা স্বাস্থ্য বিষয়া সকল, সমাজকৰ্মী তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰী, ডি পি এম ইউ আৰু বি পি এম ইউৰ সদস্যসকলৰ লগতে স্বাস্থ্যসেৱাৰ বিভিন্ন বিভাগৰ চিকিৎসক, জিলাখনৰ স্বাস্থ্যকৰ্মী, বিভিন্ন পদত থকা বিষয়াসকলকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু বিপুল সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে, এই বৃহৎ শিবিৰটোত ১৭২৮ গৰাকী শিশু তথা কিশোৰ-কিশোৰীৰ পঞ্জীয়ন কৰাৰ বিপৰীতে ১৩০ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণো কৰাৰো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। উক্ত স্বাস্থ্য শিবিৰটিত ১৮ বছৰ আৰু ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰিও হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা উপলব্ধ কৰোৱা হয়। তদুপৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা ইত্যাদি সেৱাও অন্তৰ্ভুক্ত কৰোৱাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। জিলা স্বাস্থ্য বিভাগৰ গণমাধ্যম বিশেষজ্ঞ তথা জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়া অনুসৰি এই শিবিৰত স্বাস্থ্যসেৱাৰ সুবিধাৰ বাবে পঞ্জীয়ন ডেস্ক, ম’বাইল লেবৰেটৰী, জেনেৰেল লেবৰেটৰী, জেনেৰেল অ’পিডি, আয়ুস আৰু কেন্সাৰ আ’পিডি স্থাপন কৰা হয় আৰু ১০টা বিশেষজ্ঞ বিভাগৰ অধীনত স্বাস্থ্য পৰীক্ষণ আৰু চিকিৎসা সেৱা প্ৰদান কৰা হয়। ভ্ৰাম্যমাম চিকিৎসা সেৱা গোট আৰু ১০৮ এম্বুলেন্স সেৱাৰ লোকসকলো উপস্থিত আছিল। আনহাতে অনুষ্ঠানত স্বাস্থ্যসেৱাৰ বিভিন্ন বিভাগৰ অন্যান্য স্বাস্থ্য সম্পৰ্কীয় বিষয় সন্নিৱিষ্ট কৰাৰ লগতে শিবিৰত দৈনন্দিন জীৱনত  যোগাসনৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগ কৰাৰ উদ্দেশ্যে বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা এক যোগ প্ৰদৰ্শন কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। আনফালে শিবিৰত অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ স্বেচ্ছাসেৱকসকলে নিৰৱিচ্ছিন্নভাৱে বিশেষভাৱে সক্ষম ৰোগীসকলক বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়ায়। লগতে এই স্বাস্থ্য শিবিৰত এক  আকৰ্ষণীয় স্বাস্থ্য সজাগতাৰ কক্ষও আছিল য’ত স্বাস্থ্য সম্পৰ্কীয় আৰু স্বাস্থ্যৰ লগত জড়িত মুখ্য আঁচনিৰ লগতে চলি থকা বিভিন্ন আঁচনিসমূহ সুন্দৰকৈ উপস্থাপন কৰা আছিল তাৰোপৰি এক ভিডিঅ’ ৱাল ডিচপ্লে (Video Wall Display)ৰ জৰিয়তে উপস্থিত জনতাৰ মাজত স্বাস্থ্য সজাগতাৰ বৃদ্ধিৰ বাবে ৰক্তদান, অংগদান, সংক্ৰামক আৰু অসংক্ৰামক ৰোগ, সাপ বা কুকুৰে কামুৰিলে কি কৰিব লাগে আদি সম্পৰ্কে ভিডিঅ’ প্ৰদৰ্শনৰ যোগেদি সুন্দৰভাৱে ৰাইজৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে এক প্ৰয়াস কৰা হয়।

# সৰু শ্ৰীহাটীত সাৰ্বজনীন শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন

**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ**
ঔম বিশ্ব ৰূপস্য ভাৰ্যাসি পদ্মে পদ্মালয়ে সোভে।
সৰ্ব্বতঃ পাহি মাং দেৱী মহালক্ষ্মী নমোহস্তুতে।।


আধ্যাত্মিকতাৰ উৎসৱবোৰে যান্ত্ৰিকতাৰ জীৱনৰ পৰিসমাপ্তি কৰাৰ লগতে একতাৰ বান্ধোন কটকটীয়া কৰে। ত্ৰিদেৱীৰ ভিতৰত  শ্ৰীশ্ৰী লক্ষ্মী দেৱীক ধন-সোণ  শান্তি সমৃদ্ধিৰ প্ৰতীক বুলি জনা যায়। সেই অনুসৰি সমাজ-পৰিয়ালত দেৱী মা লক্ষ্মীৰ আশীৰ্বাদ বিচাৰি পূজাভাগ আয়োজিত কৰে।

‘সৰু শ্ৰীহাটী ৰাইজ গয়ৰহ’ বিগত বৰ্ষৰ দৰে এইবাৰো সাৰ্বজনীন শ্ৰীশ্ৰী লক্ষ্মীপূজা ভাগ ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত অনুষ্ঠিত কৰিলে। ইতিমধ্যে পূজাখনে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। দূৰ -দূৰণিৰ পৰা লানি নিছিগা  ভক্তৰ সমাগমে ঠাইখন পৱিত্ৰ কৰি তোলে। দেৱীৰ আশীৰ্বাদ ল’বলৈ অহা ভক্তসকলক ভোগ গ্ৰহণ নকৰাকৈ সমিতিৰ লোকসকলে যাব নিদিয়ে। সমিতিৰ মানুহখিনিৰ একতাৰ কাৰণে পূজাখনে  আধ্যাত্মিকতাৰ সুস্থ বাতাবৰণৰ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এইবাৰ তেওঁলোকে বিষ্ণুপ্ৰিয়া নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ মনস্থ কৰি  সভাপতি সমাজ সেৱক মনমোহন দাস,

১০ পৃষ্ঠাত

## তুমি উলটি  আহাঁ জুবিন

**অজন্তা শৰ্মা পূজাৰী**



হঠাৎ চাৰিওফালে নিস্তব্ধতা,
শব্দহীন।
মুহূৰ্তৰ ভিতৰতে চিঞৰ বাখৰ কোলাহল,
তথাপিও দেখোন শব্দ নাই
ক’ত হেৰাল বাৰু আপোন শব্দবোৰ
পাখি মেলি উৰা মাৰিল জনতাৰ শিল্পীজন
উলটি নহাৰ বাটে।

এটা যুগৰ অৱসান ঘটিল, খহি পৰিল এটি নক্ষত্ৰ,
হেৰাই গ’ল এক সত্বা।
কি হ’ল, ইমান নো বাৰু স্বাৰ্থলোভীনে তুমি
শুনাচোন আমাৰ হৃদয়ৰ ক্ৰন্দন।
আমি জানো
জীৱনৰ শেষ বিন্দুৱেই হ’ল মৃত্যু
তথাপিও জানো মানি ল’ব পাৰিম তোমাৰ মৃত্যু
বাকৰূদ্ধ আজি আই অসমী
নিস্তব্ধ বিশ্ব।

তোমাৰ গীতৰ সুৰত প্ৰাণপাই উঠিছিল মৃত কোষবোৰ
পাখিত পাখি লগাই আত্মহাৰা হৈছিল
নীড়মুখী পখীৰ জাক।
ৰিক্ত আজি তোমাৰ সংগীতনুৰাগী
অসহনীয় ভাৱে কি যে হৈ গ’ল।

মায়াবিনী ৰাতিৰ বুকুত কাৰ গান বাজিব এতিয়া?
কোনোদিন জীৱনত কান্দি নোপোৱা জনেও
হিয়া ঢাকুৰি কান্দিছে।

গছ-বন, চৰাই-চিৰিকটি, পাহাৰ-ভৈয়াম, নদ-নদী
পথাৰ সকলোৱে চকুলো টুকিছে।

ডালৰ বান্দৰেও প্ৰকাশ কৰিছে হৃদয়ৰ বেদনা।
যুৱ প্ৰজন্মই হেৰুৱাইছে আজি এজন অভিভাৱক
তুমি এবাৰ উলটি চোৱাচোন,
কিমান নিঠৰুৱা সিহঁত।
তোমাৰ অবিহনে কেনেকৈ
জীৱন জীয়াব সিহঁতে
মোৰ প্ৰশ্ন হয়?

সোণৰ অসমখনিত ইমান মঠ মন্দিৰ-পুণ্য স্থান
নদ-নদী সৌন্দৰ্যময় বননি থকা স্বত্তেও
কিয় বাৰু বাচি ল’লা তুমি বিদেশৰ সাগৰ তলি?
বুজিলো, নীলাম সাগৰো চাগৈ তোমালৈ বৈ আছিল
আলিংগনৰ বাবে।
কাৰোবাৰ প্ৰতি যদি তোমাৰ কিবা অভিমান আছিল
সেই মামৰে ধৰা অভিযান এৰি
তুমি উলটি আঁহা জুবিন।

নতুন নতুন গীতৰ ৰাগিনীয়ে সজাই তোলাহি
আমাৰ সমাজখন।
আঁহাচোন, তুমি না নকৰিবা।

# নগাঁৱৰ গেদাৰবড়িৰ শংকৰ জন্মোৎসৱৰ মহাৰজত জয়ন্তীত মহিলাৰ দ্বাৰা ‘অভিমন্যু বধ’ ভাওনা প্ৰদৰ্শন


## হেতা-চৰু এৰি দৰ্শকক মনোৰঞ্জন দিলে আখলৰ গৰাকীয়ে



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়া জীয়ৰী-বোৱাৰী যে একোটা সাংস্কৃতিবান মনৰ গৰাকী তাক পুনৰবাৰ প্ৰতিপন্ন কৰিলে নগৰ্এণ্ড একাংশ মহিলাই। কিয়নো, নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ পূৱ হাতীচোং অঞ্চলৰ অত্যুৎসাহী একাংশ বিবাহিত মহিলাই আখল এৰি তাৰ পৰিৱৰ্তে হাতে হাতে ধনু, কাঁড়, গদা, তৰোৱাল আদি লৈ যুদ্ধংদেহী মনোভাৱেৰে ওলাই আহিল দৰ্শকক মনোৰঞ্জন দিবলৈ। আচলতে, জিলাখনৰ পূৱ হাতীচোঙৰ ১নং গেদাৰবড়িত যোৱা ২৯ ছেপ্টেম্বৰৰ পৰা বেছ ওলহ-মালহেৰে উদ্‌যাপিত হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ। পূৱ হাতীচোং আঞ্চলিক সাৰ্বজনীন ৰাইজৰ সহযোগত এইবাৰ মহাৰজত জয়ন্তী বৰ্ষ হিচাপে পাঁচদিনীয়াকৈ আয়োজিত এই মহোৎসৱৰ বৃহস্পতিবাৰে অন্যান্য কাৰ্যসূচীৰ লগতে নিশাৰ ভাগত প্ৰদৰ্শন কৰা হয় কেৱল মহিলা শিল্পীৰ দ্বাৰা অসমীয়া ভাওনা ‘অভিমন্যু বধ’। সহস্ৰাধিক দৰ্শকৰ সমাগমেৰে উদুলি-মুদুলি হৈ পৰা শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ বাকৰিত প্ৰদৰ্শিত এই অসমীয়া ভাওনাখনিয়ে সকলো দৰ্শকক বেছ আপ্লুত কৰিবলৈ সক্ষম হয়। কাৰণ, পয়ত্ৰিশ বছৰ উৰ্দ্ধৰ এই মহিলাসকলে হাতা, চৰু, এৰি আখলৰ পৰা ওলাই আহি নিজৰ চৰিত্ৰানুযায়ী কৰা বলিষ্ঠ অভিনয়েৰে নিজস্ব প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি ভাওনাৰ অন্তিম মুহূৰ্তলৈকে পেণ্ডেলত আবদ্ধ কৰি ৰাখিলে অভিনয়প্ৰেমী দৰ্শকক। এক কথাত ভাওনাখনিত মহিলা শিল্পীসকলে নিখুঁত আৰু সাৱলীলভাৱে ফুটাই তুলিছিল ভাওনাখনিৰ বিভিন্ন চৰিত্ৰাৱলী। যাৰ পৰিণতিত প্ৰতিজন ভাৱৰীয়াৰ ৰং-বিৰঙৰ পোছাক, তীক্ষ্ণ তৰোৱালৰ চিকমিকনিৰ তথা ধনু, কাঁড়, গদা আদি চলোৱাৰ প্ৰকাশ ভংগীয়ে সৰ্বস্তৰৰ দৰ্শকৰ মন পুলকিত কৰি তোলাৰ বিপৰীতে ভাৱৰীয়াৰ প্ৰৱেশ নৃত্য, বচন ভংগী, যুদ্ধত অস্ত্ৰ চালনা আদিয়ে উপস্থিত দৰ্শকক বিমুগ্ধ কৰিবলৈ সক্ষম হয়। তদুপৰি খোল-তালৰ মধুৰ শব্দ, ব্ৰজাৱলী ভাষাৰ সুমধুৰ কাব্যিক বচন, বিলাপ, পয়াৰ, স্তুতি, মুক্তাৱলী আদিৰ সংমিশ্ৰিত শব্দই মহোৎস্থলীত এক নান্দনিক পৰিৱেশৰ সূচনা কৰা দেখা যায়। কাজেই, সদা ঘৰুৱা কাম-কাজত ব্যস্ত থকা এই মহিলাসকলে এনেদৰে আখল ত্যাগ কৰি নাট্যাভিনয়েৰে উৎসুক দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলা কাৰ্যক সকলোৱে শলাগ লৈছে।

### শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ নগাঁও জিলা শাখাৰ উদ্যোগত

# কঢ়ালি শংকৰ মিছনত গুৰুজনাৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ সামৰণি




**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আমাক পৰিপূৰ্ণ ৰূপত জাতীয় জীৱনৰ সকলোখিনি সমলকে দি গ'ল। গুৰুজনাৰ জীৱন দৰ্শন, শাস্ত্ৰসম্ভাৰ আৰু জীৱনৰ চিৰন্তন শিক্ষাই প্ৰতিজন অসমীয়া নাগৰিকৰ মনত জ্ঞানৰ পৱিত্ৰ জ্যোতিৰূপে প্ৰতিফলিত হওক। গুৰুজনাৰ শাস্ত্ৰ-অধ্যয়ন, আলোচনা আৰু ধৰ্মীয় কৰ্মই সমাজক অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা মুক্ত কৰি জীৱন দৰ্শন আৰু সংস্কৃতিৰ এক নৱজ্যোতিৰ পথ সুগম কৰক। এয়াই আমাৰ আন্তৰিক কামনা। উত্তৰ-পূৱ ভাৰতৰ বৃহৎ ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উদ্যোগত, পূৰ্বাঞ্চলিক শাখাৰ আতিথ্য আৰু ব্যৱস্থাপনাত কঢ়ালিস্থিত অসম শংকৰ মিছনৰ হৰিগৃহত যোৱা ৫ আৰু ৬ অক্টোবৰত দুদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৭ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ উপলক্ষে আয়োজন কৰা ধৰ্মালোচনী সভাত জিলা শাখাৰ বাৰ্ষিক আলোচনী তথা ময়ূৰ কুমাৰ বৰাৰ সম্পাদনাত প্ৰকাশিত 'শতকোটি বাৰেক কৰোহোঁ প্ৰণাম'খনি উন্মোচন কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক কুমাৰ বৰাই নিজৰ ভাষণ প্ৰসংগত এনেদৰে কয়। উক্ত ধৰ্মালোচনী সভাখনি সঞ্চালনা কৰে নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই। সভাখনি উদ্বোধন কৰে নগাঁও জিলা শাখাৰ সম্পাদক বিপুল শইকীয়াই। সম্পাদক শইকীয়াই সভাৰ আৰম্ভণিতে সদ্যপ্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। সভাখনিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই নিজৰ ভাষণ প্ৰসংগত কয় যে গুৰুজনাৰ সৃষ্টিৰাজিৰ শুদ্ধৰূপত কৰ্ষণ হওক, মন্থন হওক আৰু তেখেতৰ সৰ্বোৎকৃষ্ট অৱদান কৃষ্ণসংস্কৃতি প্ৰতিজন অসমীয়াৰ জীৱনশৈলী, জীৱনদৰ্শন হিচাপে সঁচা অৰ্থত প্ৰতিষ্ঠা হওক। জ্ঞানৰ পৱিত্ৰ জ্যোতিৰে মানুহৰ মনাকাশ উদ্ভাসিত নহ'লে মানুহ সদায় অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মাজতেই আবদ্ধ হৈ থাকিব লাগিব। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট শংকৰী সাহিত্যৰ সাধক, অধ্যাপক দীপক কুমাৰ বৰা, ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ দিলীপ বৰা, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ট্ৰাষ্ট সমিতিৰ সভাপতি প্ৰফুল্ল বৰা, যুটীয়া সম্পাদক তোযেশ্বৰ বৰা, গ্ৰন্থ বিপণনৰ সভাপতি জ্যোতিপ্ৰসাদ ভূঞা, মূল কাৰ্যালয় পৰিচালনা সমিতিৰ সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, মূলৰ সদস্য নলিনী বৰা, গোবিন চন্দ্ৰ দাস, বাসন্তী ভূঞা, তৰুণ ডেকা, জিলাৰ বিষয়ববীয়া নৰেন চন্দ্ৰ নাথ, উমাকান্ত হাজৰিকা , ভদ্ৰ কলিতা, ময়ূৰ কুমাৰ বৰা, বৈকুণ্ঠ সিং ৰাজা, দীপাংক বৰদলৈ, মহেশ কাকতি, ৰঞ্জিত শইকীয়া, পংকজ শইকীয়া প্ৰমুখ্যে ব্যক্তিসকল। উক্ত অনুষ্ঠানতে আনন্দৰাম কলিতাক লোকসেৱক হলধৰ ভূঞা বঁটা, উপেন ওজাক পুণ্যশ্লোক ৰমাকান্ত মুক্তিয়াৰ আতা বঁটা প্ৰদান কৰা হয়। বিশিষ্ট শিক্ষাবিদ বঁটা আগবঢ়োৱা হয় সদ্যপ্ৰয়াত কৃতি শিক্ষক বুদ্ধিনাথ কলিতালৈ। ইয়াৰ পূৰ্বে পুৱা ভাগত প্ৰাতঃ প্ৰসঙ্গৰ অন্তত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই। ইয়াৰ অন্তত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। সন্ধ্যা বন্তি প্ৰজ্বলনেৰে সামৰণি পৰে। ইফালে, দুদিনীয়াকৈ আয়োজন কৰা মহাপুৰুষজনাৰ উক্ত আবিৰ্ভাৱ মহোৎসৱৰ উদ্‌যাপনৰ কাৰ্যসূচী অনুসৰি ৫ অক্টোবৰৰ পুৱা প্ৰাতঃপ্ৰসঙ্গৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে ক্ৰমে প্ৰাতঃপ্ৰসঙ্গ, নামপ্ৰসঙ্গ, বিয়লি ১ বজাত শংকৰী সংগীত আৰু লোক সংস্কৃতি অনুষ্ঠান আৰু সন্ধ্যা বন্তি প্ৰজ্বলনেৰে চৌদিশ আলোকিত হৈ পৰে। উল্লেখযোগ্য যে অলপতে আমাৰ মাজৰ পৰা হেৰাই যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই দ্বিতীয় দিনাৰ সন্ধিয়াৰ কাৰ্যসূচীত সন্নিবিষ্ট হোৱা 'ৰুক্মিণী হৰণ' অংকীয়া ভাওনাখনি পৰিৱেশন স্থগিত ৰখা হয়।

# মানৱ ধৰ্ম আৰু জীৱনৰ সত্য

■ আচিক আহমেদ,
নলবাৰী, বৰভাগ

আমি জীৱনত সদায় মানুহ হ'ব লাগে য'ত জাতি, বৰ্ণ, ধৰ্মৰ কোনো ভেদাভেদ নকৰি সকলোকে আপোন বুলি ভাবি এক হৈ থাকিব লাগে, জীৱনত সদায় আনৰ পৰা লোৱাতকৈ বেছি দিবলৈ চেষ্টা কৰা উচিত। জীৱন এক মায়া-মোহ, মৃত্যুৰ পাছত সকলো শূণ্য সেইবাবেই-জীৱনত লোভ-মোহ এৰি আনৰ বাবে জীয়াই থাকিলে পৃথিৱীখন বৰ সুন্দৰ হৈ পৰিব। সাধাৰণভাৱে জীয়াই থাকিলেও জীৱনটো বৰ সুন্দৰকৈ উপভোগ কৰিব পাৰি, য'ত লাখটকীয়া বিলাসিতাৰ প্ৰয়োজন নাই। সঁচা অৰ্থত ক'বলৈ গ'লে-কোনো কামৰ সৰু বৰ নাথাকে কিয়নো প্ৰত্যেকেই নিজৰ নিজৰ স্থানত শ্ৰেষ্ঠ কেৱল আমি মাথোঁ তাক মৰ্যাদা দিব জানিব লাগে। আপুনি মানুহৰ মন বুজি সঁচা ভাল পাব জানিলে ফুটপাথ নাইবা সাধাৰণ মানুহৰ সৈতে সময় অতিবাহিত কৰিও মনত বহু শান্তি পাব পাৰে, কিয়নো তেওঁলোকৰ অন্তৰবোৰ চাফা হয়, তাৰ বিপৰীতে অধিকাংশ ধনী বা ডাঙৰ মানুহৰ আনৰ প্ৰতি আদৰ নাথাকে থাকে কেৱল মাথোঁ স্বাৰ্থ। মানুহে মানুহৰ মাজতেই ঈশ্বৰক বিচাৰি পাব পাৰে, য'ত মানৱ ধৰ্মই পৃথিৱীৰ ভিতৰতেই শ্ৰেষ্ঠ ধৰ্ম, আপুনি মানুহ হ'বলৈ হ'লে- মন্দিৰ, মছজিদত লাখ টকা দান কৰাৰ প্ৰয়োজন নাই তাৰ পৰিৱৰ্তে নিজক লগা ধনখিনিৰ বাহিৰে মানৱতাৰ সহায়ৰ নামত দিবলৈ কুণ্ঠাবোধ নকৰি আনৰ হিত সাধনৰ চিন্তা কৰাটোৱেই প্ৰকৃত মানৱ, মানুহৰ মুখত হাঁহি বিৰিঙাব পাৰিলে ঈশ্বৰো সন্তুষ্ট হয়। আচলতে আনৰ দুখত দুখী হোৱাজনেই প্ৰকৃত হৃদয়বানসকলৰ আৰু ধনী ব্যক্তি। সেইবাবেই-আমি সদায় মনৰ ধনী হ'ব লাগে আৰু অন্তৰত আনৰ প্ৰতি হিংসা ভাব নাৰাখি শুদ্ধ ভাৱেৰে মানৱতাৰ বাবে হিয়া উজাৰি দিব পাৰিলে - পৰলোকতো নিশ্চয় ভাল হ'ব। প্ৰকৃততে মানুহে জীয়াই থকা দিনবোৰত জীৱনৰ খ্যাতি, পৰিক্ৰমাৰ অন্ততঃ কি সেয়া বুজিবলৈ যত্ন নকৰি মানুহে নিজৰ চাহিদা কমি যাব বুলি আনৰ ওচৰত সহজে উপলব্ধ আৰু সুলভ হ'বলৈ নিবিচাৰি নিজৰ শিক্ষা, ধন আৰু পদবীক লৈ মনতে আত্ম অহংভাৱেৰে পৰিতৃপ্তি লাভ কৰে যদিও পাহৰি যে - মৃত্যুৰ পাছত লগত একোৱেই নিব নোৱাৰি আৰু এই পৃথিৱীত আপোনাৰ একোৱেই অস্তিত্ব নাথাকে, মৃত্যুৰ লগত নিব পাৰিব মাথোঁ চৰিত্ৰ, অৰ্থাৎ ভাল-বেয়া নাম- এইটোৱেই মানুহৰ জীৱনৰ সাৰ। প্ৰকৃততে, দহৰ বাবে উপকাৰ সাধন কৰাটোৱেই আঁচল জীৱন। কিয়নো মানৱ ধৰ্মতকৈ শ্ৰেষ্ঠ ধৰ্ম আন একোৱেই নাই।


**ম'বাইল ঃ ৯৩৬৫৮-৬৫০৮২**

# টীয়ক জগদুৱাৰৰ ৰীতা বৰুৱাক 'কলা সাধনা' বঁটা প্ৰদান



**যোৰহাট ঃ** যোৱা ০৫-১০-২৫ তাং দেওবাৰে টীয়ক আধ্যাত্মিক যুৱ শিল্পী সমাজে টীয়ক মিধাখাত গাঁৱৰ বৰ নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৭৭তম জন্ম জয়ন্তীভাগ দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানতে, ইং ০৫-১০-২৫ তাং দেওবাৰে। জগদুৱাৰৰ বিশিষ্ট সাহিত্যিক তথা সাংস্কৃতিক কৰ্মী ৰীতা বৰুৱাক 'কৰ্ম যোগী স্বৰ্গীয় হেমন্ত পাঠক সোঁৱৰণী কলা-সাধনা বঁটা' প্ৰদান কৰে। টীয়কৰ বাম গুৱাল গাঁৱৰ দাতা পৰিয়ালৰ হৈ, টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জয়ন্ত পাঠকে এই বঁটা প্ৰদান কৰে। উক্ত অনুষ্ঠানত দক্ষিণপাট আশ্ৰমী সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীজগন্নাথ দেৱ গোস্বামী, শ্ৰীপ্ৰশান্ত গোস্বামী, কাকজান মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ ড° ধীৰেণ কলিতাৰ লগতে আৰু ভালেসংখ্যক ভক্ত প্ৰাণ ৰাইজ উপস্থিত থাকে।

# ডিমৰুগুৰিত পথ দুৰ্ঘটনাত সৰবৰহী ব্যক্তি দেবেন বৰাৰ মৃত্যুত শোক



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ডিমৰুগুৰিৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা ৬ অক্টোবৰত পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত দেবেন বৰা (৫২) নামৰ এজন সৰবৰহী ব্যক্তিৰ মৃত্যু হয়। জানিব পৰা মতে দেবেন বৰা নামৰ আৰোহীজনে এ এছ ০২ পি ৭৯৪৪ নম্বৰৰ স্কুটি গাড়ীৰে বজাৰ কৰি আহি থকা অৱস্থাত তেওঁক ডিমৰুগুৰিৰ ৰাষ্ট্ৰীয় ঘাই পথত এ এছ ০২ এ ভি ১২৪২ নম্বৰৰ এখন মটৰ চাইকেলে পিছফালৰ পৰা তীব্ৰ জোৰেৰে খুন্দা মাৰে। ফলত পথ দুৰ্ঘটনাত দেবেন বৰা নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। ততাতৈয়াকৈ স্থানীয় লোকে আহত ব্যক্তিগৰাকীক নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ এণ্ড হাস্পতাললৈ প্ৰেৰণ কৰে। চিকিৎসালয়খনত আহত ব্যক্তিজনক চিকিৎসকে চিকিৎসাৰ ব্যৱস্থা কৰে যদিও চিকিৎসাধীন অৱস্থাতে দেবেন বৰা নামৰ লোকজনে কৰুণভাৱে মৃত্যুক সাৱটি ল'বলগীয়া হয়। দুৰ্ঘটনাত নিহত দেবেন বৰা ঘৰ গোমোঠা গাঁৱত। উল্লেখযোগ্য যে, বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত দেবেন বৰা সক্ৰিয়ভাৱে জড়িত হৈ সমাজলৈ উল্লেখনীয় বৰঙণি আগবঢ়াইছিল। প্ৰয়াত বৰাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত বঢ়মপুৰ প্ৰেছ ক্লাব, অসম নাট্য সন্মিলন কলংপাৰ শাখা, গোমোঠা গাঁও আঞ্চলিক অখণ্ড নাম মহোৎসৱ উদ্‌যাপন সমিতিকে ধৰি স্থানীয় বিভিন্ন অনুষ্ঠানে-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত প্ৰয়াত ব্যক্তিগৰাকীয়ে মাতৃ, ভাতৃ আৰু ভগ্নীসহ অনেক আত্মীয় স্বজ্জনক ইহ সংসাৰত এৰি থৈ যায়।

# দিহানাম, কীৰ্তন পাঠ, ভাগৱত পাঠ, জুবিনৰ গীতে-মাতে জুবিনক সশ্ৰদ্ধ স্মৰণ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ পীঠ স্থান ঐতিহ্য মণ্ডিত কপাহেৰা খেল পথাৰত দিনযোৰা কাৰ্যসূচীৰে অসমীয়া হিয়াৰ আমঠু অমৃত কণ্ঠ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা প্ৰাতঃ প্ৰসংগৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো শুভাৰম্ভ হোৱাৰ পিছত বন্তি প্ৰজ্বলন, নাম কীৰ্তন, ভাগৱত পাঠ, বৃক্ষ ৰোপণ, দুপৰীয়া খোল প্ৰসংগ অনুষ্ঠিত হয়। বিয়লি বৃহত্তৰ অঞ্চলটোৰ মহিলাসকলে দিহানাম পৰিৱেশন কৰে। প্ৰায় সহস্ৰাধিক মহিলাই একেলগে দিহানাম পৰিৱেশনৰে ভক্তি ৰসত দ্বিতীয় বৈকুণ্ঠপুৰীলৈ ৰূপান্তৰ হয়। পৰৱৰ্তী শিল্পীজনাৰ স্মৃতিত গীত - মাত পৰিৱেশন কৰে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী মণ্টু গোহাঁইয়ে। সমাজকৰ্মী প্ৰহ্লাদ বৰদলৈয়ে আঁতধৰা অনুষ্ঠানটিত উপস্থিত থকা ৰাইজে জনতাৰ শিল্পী জুবিনক ভাৰত ৰত্ন প্ৰদানৰ বাবে চৰকাৰলৈ দাবী জনায়। উল্লেখ্য যে জুবিন দা অমৰ হওঁক, জুবিন দা দীৰ্ঘায়ু হওঁক, জুবিনদাৰ হত্যাৰ ন্যায় লাগে, জুবিনক হত্যাকাৰীক ফাঁচি দিওক শ্লোগানেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। তাৰ পিছতে ৰাইজে সমূহীয়াকৈ মায়াবিনী ৰাতিৰ বুকুত, গীতটি সমস্বৰে গীত পৰিৱেশন কৰে। উল্লেখ্য যে অনুষ্ঠানটিত ৰাইজৰ বিৰ দি বাট নোপোৱাৰ অৱস্থা আছিল।

## মায়াবিনী ৰাতিৰ বুকুত

**দেৱাশীষ নাথ**

মায়াবিনী ৰাতিৰ বুকুত
স্বপ্নৰ পাখিয়ে উৰা মাৰে।
অনামিকা হাঁহিৰ সুৰে,
মায়া মৰমে মন জুৰায়।
পলাশৰ ফুলৰ সুবাসে
জোনাকৰ পোহৰত দুখ বিলায়।
'য়া আলি'ৰ নীৰৱ প্ৰাৰ্থনাত
হৃদয়ৰ আশাৰে দুখ দূৰ হয়।
অ' মোৰ আপোনাৰ দেশৰ গীতে
বিহুৰ ঢোলত জীৱন জাগে।
পাহাৰৰ কোলাত বতাহত
সপোনৰ গান বাজে।
তোৰ সুৰত জীৱনে নাচে
প্ৰেমৰ বতাহত সপোন সাজে।
জুবিন, তই নথাকিলে
আকাশৰ ৰং ফিকাই যে।
মোৰ হৃদয় নাচে
তোৰ গীতৰ সুৰত নাচে।
পাখি পাখি উৰিব লগত
চন্দ্ৰবিন্দুৰ জোনাক জ্বলে।
যুৱক-যুৱতীৰ হৃদয়ৰ ঢলত
তোৰ গানে যুগে যুগে বেলিছে।
সেউজীয়া জংঘলৰ মাজত
নদীৰ পানীত ধ্বনি উঠিছে।
প্ৰেমৰ পুখুৰীত মন ডুবিছে,
সপোনৰ ডিঙিত জোনাক সৰি যায়।
সুখ-দুখৰ আকাশৰ তলে
তোৰ সুৰে মোৰ পথ চিৰায়।
তোৰ সুৰত জীৱন বাজে
প্ৰেমৰ বতাহত সপোন সাজে।
জুবিন, তই নাথাকিলে
আকাশৰ ৰং ফিকাই যে।
মোৰ মনৰ বতাহত
তোৰ গীতৰ সুবাসে ভৰি যায়।
সন্ধিয়া বতাহত পাখিয়ে উৰে
সুৰৰ ঢৌত হৃদয় নাচে।
প্ৰেমৰ কথা, মাতৃভূমিৰ গান
জুবিনৰ সুৰতে জীৱন মেল।
তোৰ সুৰত জীৱন বাজে
প্ৰেমৰ বতাহত সপোন সাজে।
জুবিন, তই নাথাকিলে
আকাশৰ ৰং ফিকাই যে।
মোৰ হৃদয়ৰ গহীন কোঁঠাত
তোৰ সুৰেই অমৰ হৈ থাকিব।
মায়াবিনী ৰাতিৰ বুকুত
স্বপ্নৰ পাখিয়ে উৰা মাৰে।

## জুবিন দাৰ আদৰ্শ

**ড° জিন্টুমনি বৰা**

মন পৰশা
হৃদয় ভেদি যোৱা
মিঠা অনুভৱ
দেহ বিচাৰৰ গীত,
প্ৰকৃতিৰ পৰশ,
ৰোমান্টিক গীত,
শৈশৱ,
মানুহক আগবাঢ়ি যোৱাৰ প্ৰেৰণা যোগোৱা
গীতবোৰ,
গাঁও, চহৰৰ অলেখ ছবি
দুচকুত ভাঁহি আহে
বহু কথা মানুহৰ বাবে,
সকলোৰে অন্তৰৰ বাবে,
বহুত সহায় আৰ্তজনৰ বাবে,
ভাল পোৱাৰ অলেখ গীত,
সেয়ে আজি পাৰ ভঙা মানুহ
তোমাৰ নশ্বৰ দেহৰ অন্তিম দৰ্শনত।
মানুহ হৃদয়ংগম কৰিছে তোমাৰ উচ্চ আদৰ্শক
যি আদৰ্শ চিৰকাল ৰৈ যাব
অসমীৰ বুকুত,
পৃথিৱীৰ বুকুত।

## জুবিনবিহীন শৰতৰ সেমেকা নিশা

**কল্যাণী গগৈ (মুনু)**
চিলাপথাৰ, ধেমাজি

আজিৰ ফৰকাল আকাশখন হঠাতে
কলা মেঘে আৱৰি ধৰিছে
আকস্মিকভাৱে অহা প্ৰচণ্ড ধুমুহাই
গছৰ ডাল লঠঙা কৰি পেলাইছে
টোপাটোপে সৰিছে বিষাদগ্ৰস্ত বৰষুণ
আকাশেও যেন পাহৰিব পৰা নাই
সেই অভিশপ্ত দিনটো
কেনেকৈনো পাহৰিব সেই দিনটো
এটা জাতিৰ সত্বা, বুকুৰ আমঠুটো
অকস্মাতে হেৰাই যোৱাটো
কেনেকৈনো মানি ল'ব
আজি যেন চাৰিওফালে
নিমাও-মাও পৰিৱেশ
জোনাকী জনীয়েও আজি
তিৰবিৰাই থকা নাই
চোতালৰ শেৱালী জোপাইও
সুগন্ধি বিলাবলৈ পাহৰিয়ে গ'ল
প্ৰকৃতি, জীৱ-জন্তু, চৰাই-চিৰিকটি, মানুহ
কোনেও যেন সহজ হ'ব পৰা নাই
কোনেও পাহৰিব পৰা নাই সেই দিনটো
যিদিনা কেইটামান পানীৰ তলৰ কাঁইটৰ খোচত
অসমীয়াই হেৰুৱাইছিল জাতিৰ প্ৰাণ
অচিন সাগৰৰ বুকুত
চিৰদিনলৈ শুই পৰিছিল
অসমীয়া জাতিৰ স্বাভিমান
**ম'বাইল ঃ** ৯৩৬৫৯-৬১২৫৪

## শিল্পীৰ মৃত্যু নহয়

**মুকতাৰ আলী**
কোকৰাঝাৰ

তোমাৰ গানে নিচুকোৱাব নে
কন্দুৱাব, মাজ ৰাতি?
যেতিয়া জোন সাৰে থাকিব,
তোমাৰ সুকীয়া সুৰেৰে পোহৰাব
এই নীৰৱ অনুৰাগীৰ
উকা কোঠা।

এতিয়াও সাৰে আছা তুমি,
মাথোঁ মৌন হৈ
শুনি আছা তুমি,
এটা জাতিৰ দুখৰ বিননি।

শিল্পীৰ মৃত্যু নহয়,
শিল্পীয়ে মৃত্যুকো জিনে,
আপোন শিল্পৰে।

যুগে যুগে বৈ থাকিব
তোমাৰ আজন্ম সত্তা,
সিপাৰে থাকিও তুমি
আমাক পোহৰাবা।

## অপেক্ষা

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

অসুখ কাৰ
মেঘৰ চকুত পানী
কলিজাত ঘা
সেয়ে কথা দিব নোৱাৰিম
তোমাক পাহৰিম বুলি।

ৰ'দৰ অকাল মৃত্যুত
মাত শুনা নাই পক্ষীৰ
কান্দোনৰ সুৰত বাজি উঠে
এসাগৰ মায়াবিনী
আজিও অপেক্ষা ঘূৰি আহিবা তুমি।
ঘূৰি আহিবা তুমি।

## জুবিন গাৰ্গ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

চে গুৱেভাৰাৰ আদৰ্শৰে অনুপ্ৰাণিত
অন্যায়, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে প্ৰতিবাদী কণ্ঠ
মৃত্যু পৰ্যন্ত নহ'ল ৰুদ্ধ।
তেওঁৰ সত্তাক হাজাৰ, লাখ অসংখ মানুহে
সমীহ কৰি চলিছিল
গানেৰে সমগ্ৰ বিশ্ব জয় কৰিছিল
দুখীয়া-নিচলাৰ কাষত সদায়
সহায় হৈ থিয় দিছিল,
যাৰ থাকিবলৈ এটা নিজস্ব ঘৰ নাছিল
নাছিল সাচতীয়া টকা
ধনৰ ধনী নাছিল আছিল মনৰ ধনী তেওঁ।
তেওঁ আমাৰ বাবে ৰজা
তেওঁ আমাৰ বাবে ভগৱান -
যাৰ কোনো জাতি, ধৰ্ম, ভগৱান নাছিল
আচলতে তেওঁ নিজেই এজন ভগৱান
আছিল এক ঐশ্বৰিক সত্তা
যি সত্তা পুনৰ এশ বছৰলৈ আৰু
অসমত জন্ম নহ'ব কিজানি
তেওঁৱেই জুবিন গাৰ্গ।
তেওঁ এটা বিৰল আৰ্হি দেখুৱাই গ'ল
পৃথিৱীত মানুহৰ জাতি এটাই মানৱ জাতি
জাত-পাত ভেদাভেদৰ অস্তিত্ব শূন্য।
অভিশপ্ত লাজাৰুছে কঢ়িয়াই আনিলে কাল
তেওঁ ভগৱান সেই বাবেই
জন্ম স্বাভাৱিক মৃত্যু অস্বাভাৱিক,
আৰু ৰহস্যময়।
**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## বিয়লি বেলাৰ বেলাদ

**সত্যজিৎ গগৈ**

কলিয়াবৰ, জখলাবন্ধা
তোমাৰ গানৰ সহস্ৰ শ্ৰোতাই
তোমাকেই বিচাৰে ৰাতিৰ বুকুত
আইৰ কোলাত নিৰলে শুবলৈ,
দেউতাৰ দুচকুত অযুত ভাষা
বুজিও নুবুজানে তুমি
সৰাপাতৰ ওপৰেৰে বাঁহীৰ সুৰবোৰ
শুনিও নুশুনানে তুমি,
সাৰ পাই উঠিবানে পুৱতি নিশা
জগত পোহৰ কৰিবলৈ
শৰতৰ এনিশা সুৱদি সুৰীয়া
অময়া মাতেৰে নিগৰাবানে কণ্ঠ,
লুইতৰ বুকুত ঢৌবোৰ চাবলৈ
দুভৰিত দুপাত জোতা পিন্ধিবলৈ
জনতাৰ কণ্ঠক প্ৰাণ দিবলৈ
পুনৰ আহিবানে
অসমী আইৰ কোলালৈ,
চেনেহৰ গাঁওখনত দুৰৰি গছকি
সেউজীয়া পৃথিৱীখন আমাৰ বুলিবলৈ
শিশুহঁতৰ লগত চিৰিয়াখানা চাবলৈ
আকৌ আহিবানে এই ধৰালৈ,
এজাক বৰষুণত তিতি বুৰি
বোকাময় চহৰত লুতুৰি-পুতুৰি হৈ নাচিবলৈ
অজস্ৰজনৰ আশীৰ্বাদ লৈ
আকৌ আহাঁ তুমি আমাৰ মাজলৈ।
**ম'বাইল ঃ** ৭৩৯৯৬-৬২৮৬৭

## তুমি নথকাৰ অনুভৱ

**প্ৰান্তিক শৰ্মা,** জাজৰি

জাতি আজি নিৰুপায়
চৌদিশে মাথোঁ তোমাৰেই চৰ্চা।
সুৰৰ সাগৰত এহেজাৰ ঢৌ তুলি
বুকুৰে বুকুৰে কন্দনৰ ঢল সোঁত বোৱাই
তুমি গ'লাগৈ অচিনা দেশলৈ।
তুমি আহিবা বুলি কাহানিও
বেনাৰৰ পাতত তোমাৰ নামৰ
ছবি দেখা নাপাম।
সাগৰৰ তলিত শুবলৈ তোমাৰ বৰ
মন আছিল।
শুই গ'লা অসমী
আইৰ বুকু উদং কৰি।
গাইছিলা মৃত্যু এতিয়া সহজ
লক্ষ লক্ষ জনক কন্দুৱাই
সহজ কৰি দিলা।
মায়াবিনী ৰাতিৰ বুকুত
সুৰৰ পানচৈ তুলিবলৈ
ধুমুহাৰ সৈতে নাচোন দিবলৈ
তুমি আজি নাই।
তোমাৰ প্ৰতিটো সৃষ্টি প্ৰজন্মৰ মুখে মুখে।
আহিবানে আকৌ জাতিটোক এক কৰি
বিপদৰ সময়ত সাহস দিবলৈ।
জাতি আজি বদ্ধ পৰিকৰ তোমাক ন্যায় দিবলৈ।
মাথোঁ কিছু পৰ জিৰণি লোৱা
আকৌ আহি গাবাহি 'অ' নাহৰ'।
ক'বাহি জাতি নাই ধৰ্ম নাই
মই মুক্ত।
আমিও প্ৰতিজ্ঞাবদ্ধ তুমি বিচৰা
অসমখন তোমাক উপহাৰ দিবলৈ।
**ম'বাইল ঃ** ৯৫৭৭৪৭৭৯৭

## হিয়াৰ আমঠু জুবিন

■ **কিৰণ বৰা**
হয়বৰগাঁও, নগাঁও

সোণৰ দৰে উজ্বল জুবিন
হিয়াৰ আমঠু
সেয়েহে তোমাৰ স্থায়ী ঠিকনা হ'ল সোণাপুৰ।
হীৰাৰ দৰে মূল্যবান তুমি
অসমৰ ভোটাতৰা
তুমি চন্দ্ৰ, তুমি সূৰ্য, তুমিয়েই শতিকাৰ
শ্ৰেষ্ঠ অসমীয়া।
তোমাৰ সমাধিয়ে সোণাপুৰ কৰিলে তীৰ্থস্থান
ঋধিব নোৱাৰে কোনেও তোমাৰ সন্মান।
সংগীতৰ নায়ক তুমি জুবিন
মহাতাৰকা তুমি জুবিন
গানৰ পূজাৰী তুমি জুবিন
সকলোৰে প্ৰাণৰ তুমি জুবিন।
মানুহৰ মৰমেৰে বিশ্ব অভিলেখ গঢ়ি
মায়াবিনীৰ দেশলৈ গ'ল জুবিন।
চন্দন কাঠৰ শয্যাত শুই
পঞ্চভূতত বিলীন হ'ল শতিকাৰ শ্ৰেষ্ঠ অসমীয়া জন।
বিশ্ববাসীয়ে দেখিলে
সাগৰতলীত শুই ভালপোৱা মানুহজনৰ অন্তিম
শয়ন।
জনসমূদ্ৰৰ মাজেৰে গ'লগৈ 'অনামিকা'
ৰৈ গ'ল সকলোৰে হৃদয়ে হৃদয়ে
গানৰ নিজৰা
আকাশে কয়- জুবিন অমৰ বতাহে কয়- জুবিন অমৰ।
**ম'বাইল ঃ** ৮৭২০৯-০৬১৮৮

## জামুগুৰিহাটৰ হাটিঙাবড়ীত চেলিব্ৰেছন গ্ৰুপ হলি মলি বয়ছৰ উদ্যোগত জুবিন গাৰ্গৰ স্মৃতিত 'শ্ৰৱন কীৰ্ত্তন' সম্পন্ন

**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ স্মৃতিত ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ হাটিঙাবড়ী নামঘৰ প্ৰাঙ্গণত চেলিব্ৰেছন গ্ৰুপ হলি মলি বয়ছৰ উদ্যোগত ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা শ্ৰৱন-কীৰ্ত্তনৰ লগতে সৰ্বধৰ্ম প্ৰাৰ্থনাৰ অনুষ্ঠানভাগ সুকলমে সম্পন্ন হয়। চেলিব্ৰেছন গ্ৰুপ হলি মলি বয়ছৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত এই সৰ্বধৰ্ম অনুষ্ঠানত খোল প্ৰসঙ্গ, নাম প্ৰসঙ্গ, কোৰাণ পাঠ, খ্ৰীষ্টিয় প্ৰাৰ্থনা, বেঙ্গলী সংকীৰ্তন, বৌদ্ধ প্ৰাৰ্থনা, পাল নাম অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অঞ্চলটোৰ কেইবা শতাধিক ধৰ্মাৱলম্বী ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহি এই সৰ্বধৰ্ম প্ৰাৰ্থনাত অংশগ্ৰহণ কৰি শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলী অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা পৰিলক্ষিত হয়।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ‘অৰুণোদয়’ হৈছে স্বৰাজোত্তৰ অসমৰ ইতিহাসৰ সৰ্ববৃহৎ

বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনৰ জিলাকেইখনত অলপতে অনুষ্ঠিত নিৰ্বাচনৰ বাবে এই আঁচনিৰ ৰূপায়ণত কিছু অতিৰিক্ত সময়ৰ প্ৰয়োজন হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে বিটিচিৰ ৬ লাখ হিতাধিকাৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিক হিতাধিকাৰীকেন্দ্ৰিক আঁচনি বুলি একাংশ লোকে সমালোচনা কৰে, কিন্তু এই আঁচনি মাথোঁ হিতাধিকাৰীলৈ আগবঢ়োৱা এক আৰ্থিক সাহায্য নহয়, ই হৈছে ৰাজ্যৰ মহিলা আৰু মাতৃ সমাজৰ প্ৰতি ৰাজ্য চৰকাৰে আগবঢ়োৱা এক সন্মান, এক কৃতজ্ঞতাৰ চিন। তেওঁ কয় যে যোৱা ছেপ্টেম্বৰ মাহত লাভ কৰিবলগীয়া কিস্তিৰ সৈতে মিলাই অহা ফেব্ৰুৱাৰী মাহত অৰুণোদয় হিতাধিকাৰীসকলে ৰাজ্য চৰকাৰৰ পৰা এক ডাঙৰ উপহাৰ লাভ কৰিব। তেওঁ কয় যে অহা ১ নৱেম্বৰৰ পৰা ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে সুলভ মূল্যত দাইল, নিমখ আৰু চেনিও লাভ কৰিব। অৰুণোদয়ৰ হিতাধিকাৰীসকলে বন্ধন গেছৰ প্ৰপত্ৰ জমা দিলে চৰকাৰে ৰাজসাহায্য হিচাপে অতিৰিক্ত ২৫০ টকা প্ৰদান কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে পৰৱৰ্তী সময়ত ৰেচন কাৰ্ডৰ জৰিয়তে সুলভ মূল্যত মিঠাতেল প্ৰদানৰ বাবেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া নামভৰ্তি, ছাত্ৰীসকললৈ বিনামূলীয়া চাইকেল আৰু স্কুটী প্ৰদান, ছোৱালীৰ পঢ়া-শুনাৰ বাবে নিযুত মইনাৰ অধীনত আৰ্থিক সাহায্য প্ৰদান আদিৰ জৰিয়তে দৰিদ্ৰসকলক সকাহ দিয়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে কোনো বেমেজালি নোহোৱাকৈ আঁচনিখনৰ ধন লাভ কৰি থাকিবৰ বাবে বেংকৰ কে-ৱাই-চি নথি-পত্ৰ সময়মতে জমা দি অদ্যাৱধিকৃত কৰি ৰাখিবলৈ তেওঁ আহবান জনায়। আনহাতে অৰুণোদয়ৰ হিতাধিকাৰীসকলৰ মোবাইল নম্বৰ সলনি হ'লে সেই বিষয়েও কৰ্তৃপক্ষক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়। এতিয়াৰে পৰা প্ৰতিটো উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এগৰাকীকৈ অৰুণোদয় সহায়ক থাকিব বুলি উল্লেখ কৰি তেওঁ কয় যে হিতাধিকাৰীসকলে সন্মুখীন হোৱা যিকোনো অসুবিধাৰ বাবে অৰুণোদয় সহায়কক অভিযোগ দাখিল কৰিব পাৰিব। হিতাধিকাৰীসকলে অভিযোগ দাখিলৰ বাবে চৰকাৰে অচিৰেই এটা ফোন নম্বৰ মুকলি কৰিব বুলি অৱগত কৰি তেওঁ কয় যে তাৰ জৰিয়তেও হিতাধিকাৰীসকলে নিজৰ অভিযোগ বা অসুবিধাৰ বিষয়ে চৰকাৰক জনাব পাৰিব। দুৰ্ভাগ্যবশতঃ কোনো অৰুণোদয় হিতাধিকাৰীৰ মৃত্যু হ'লে সেই বিষয়েও চৰকাৰক অৱগত কৰি পৰিয়ালৰ অন্য যোগ্য হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয় আঁচনিৰ সফলতাই আজি দেশৰ আন ৰাজ্যসমূহকো অনুপ্ৰাণিত কৰিছে। অসমৰ আদৰ্শেৰে আজি চত্তিশগড়, মধ্য প্ৰদেশ, কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যয়ো অৰুণোদয় মডেল গ্ৰহণ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে সূৰ্যোদয়ৰ দেশ অসমে দেশৰ দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনিৰো সূৰ্যোদয় কৰিবলৈ সক্ষম হোৱাটো আমাৰ বাবে অতিশয় গৌৰৱৰ কথা। বিত্ত বিভাগৰ আয়ুক্ত-সচিব জয়ন্ত নাৰ্লিকাৰে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই কেন্দ্ৰীয় অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগেও বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু সুমন হৰিপ্ৰিয়া, গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়া, মুখ্য সচিব ৰবি কোটা প্ৰমুখ্যে বিত্ত বিভাগ, জিলা প্ৰশাসন আৰু অন্যান্য বিভাগৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থকাৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত আয়োজিত অনুষ্ঠানসমূহত অন্যান্য মন্ত্ৰী-বিধায়ক-সাংসদ আদি জনপ্ৰতিনিধিসকল, সমাজকৰ্মীসকল তথা অৰুণোদয় ৩.০ৰ হিতাধিকাৰীসকল উপস্থিত থাকে।

## কান্দোন ঃ কোনো সমস্যাৰ সমাধান নহয়

ফলত কেতিয়াবা আপোনজনৰ পৰা সান্ত্বনা আৰু আশ্বাস পোৱাটো সঁচা যদিও মনত ৰখাটো গুৰুত্বপূৰ্ণ যে কেৱল সহানুভূতিয়েই হাতত থকা অন্তৰ্নিহিত সমস্যাটো সমাধান নকৰে। কোনো সমস্যাৰ ফলপ্ৰসূ সমাধান আৰু সমাধান কৰিবলৈ হ'লে আমি ইয়াৰ মূল কাৰণটো বুজিবলৈ সক্ৰিয় পদক্ষেপ ল'ব লাগিব আৰু ইয়াক অতিক্ৰম কৰাৰ বাবে এক কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

উদাহৰণস্বৰূপে, এজন ছাত্ৰক বিবেচনা কৰক যিয়ে শৈক্ষিক প্ৰদৰ্শনৰ সৈতে সংগ্ৰাম কৰি আছে আৰু সফলতাৰ হেঁচাত আপ্লুত অনুভৱ কৰে। ছাত্ৰজনে নিজৰ অধ্যয়নৰ অভ্যাস উন্নত কৰিবলৈ শিক্ষক বা টিউটৰৰ পৰা সহায় বিচৰা বা অতিৰিক্ত সম্পদ বিচৰাৰ পৰিৱৰ্তে নিজৰ অপৰ্যাপ্ততাৰ অনুভৱৰ সৈতে মোকাবিলা কৰাৰ উপায় হিচাপে কান্দোনৰ ফালে মুখ কৰিব পাৰে। কান্দিলে সাময়িক সকাহ পাব পাৰে যদিও ই অধ্যয়নৰ অভ্যাস আৰু শৈক্ষিক সহায়ৰ অভাৱৰ অন্তৰ্নিহিত বিষয়টোক সম্বোধন নকৰে।

ইয়াৰ বিপৰীতে অধিক সক্ৰিয় পদ্ধতিত ছাত্ৰজনে তেওঁলোকৰ অধ্যয়ন দক্ষতা উন্নত কৰাৰ বাবে সম্পদ আৰু সমৰ্থন বিচৰা আৰু তেওঁলোকৰ শৈক্ষিক সংগ্ৰামত অৰিহণা যোগাব পৰা যিকোনো অন্তৰ্নিহিত সমস্যাৰ সমাধান কৰাটো জড়িত হ'ব। কাৰ্য্য গ্ৰহণ কৰি আৰু তেওঁলোকৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰি ছাত্ৰজনে হাতত থকা সমস্যাটো ফলপ্ৰসূভাৱে সমাধান কৰিব পাৰে আৰু সমাধানৰ দিশত কাম কৰিব পাৰে।

কান্দোন কোনো সমস্যাৰ সমাধান নহয় তাৰ আন এটা উদাহৰণ আন্তঃব্যক্তিগত সম্পৰ্কত দেখা যায়। বন্ধু বা আপোনজনৰ সৈতে সংঘাত বা মতানৈক্যৰ সন্মুখীন হ'লে কিছুমান ব্যক্তিয়ে নিজৰ আৱেগ প্ৰকাশ আৰু সমাধানৰ উপায় হিচাপে কান্দোনৰ আশ্ৰয় ল'ব পাৰে। কান্দোন আৱেগিক দুখৰ স্বাভাৱিক সঁহাৰি হ'ব পাৰে যদিও সংঘাতৰ মূল কাৰণটোক সম্বোধন কৰিবলৈ আৰু সমাধানৰ দিশত কাম কৰিবলৈ মুকলি আৰু সৎ যোগাযোগত লিপ্ত হোৱাটো অতি প্ৰয়োজনীয়।

সম্পৰ্কত কেতিয়াবা কান্দোনক হেতালি খেলা কৌশল হিচাপে ব্যৱহাৰ কৰি সহানুভূতি লাভ কৰিব পাৰি বা নিজৰ কামৰ দায়িত্ব লোৱাৰ পৰা হাত সাৰিব পাৰি। ইয়াৰ ফলত অমীমাংসিত সংঘাত আৰু ভুল বুজাবুজিৰ চক্ৰৰ সৃষ্টি হ'ব পাৰে যিয়ে সম্পৰ্কত অধিক আৱেগিক দুখ আৰু হেঁচা প্ৰয়োগ কৰিব পাৰে। সক্ৰিয়ভাৱে শুনি, সহানুভূতি প্ৰকাশ কৰি আৰু পাৰস্পৰিক বুজাবুজি আৰু সমাধানৰ দিশত কাম কৰি ব্যক্তিসকলে সংঘাতসমূহ ফলপ্ৰসূভাৱে মোকাবিলা কৰিব পাৰে আৰু নিজৰ সম্পৰ্ক শক্তিশালী কৰিব পাৰে।

ইয়াৰ উপৰিও এইটো স্বীকাৰ কৰাটো গুৰুত্বপূৰ্ণ যে কান্দোন সদায় মানসিক চাপ আৰু আৱেগিক প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ সুস্থ বা উৎপাদনশীল উপায় নহয়। অত্যধিক কান্দোন বা আৱেগিক নিয়ন্ত্ৰণৰ অভাৱ হতাশা বা উদ্বেগৰ দৰে অন্তৰ্নিহিত মানসিক স্বাস্থ্যজনিত সমস্যাৰ লক্ষণ হ'ব পাৰে। এনে ক্ষেত্ৰত এই সমস্যাসমূহৰ সমাধান আৰু সুস্থ মোকাবিলা ব্যৱস্থা গঢ়ি তুলিবলৈ পেছাদাৰী সহায় আৰু সমৰ্থন বিচৰাটো গুৰুত্বপূৰ্ণ।

সামৰণিত ক'ব পাৰি যে কান্দোন আৱেগিক দুখৰ প্ৰতি স্বাভাৱিক আৰু স্বাভাৱিক সঁহাৰি হ'ব পাৰে যদিও এইটো স্বীকাৰ কৰাটো গুৰুত্বপূৰ্ণ যে ই কোনো সমস্যাৰ সমাধান নহয়। আমাৰ প্ৰত্যাহ্বানসমূহৰ মূল কাৰণ বুজিবলৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি আৰু সেইবোৰৰ সমাধানৰ বাবে কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰি আমি বাধাসমূহ ফলপ্ৰসূভাৱে অতিক্ৰম কৰি সমাধানৰ দিশত কাম কৰিব পাৰো। কান্দোনক মোকাবিলা কৰাৰ ব্যৱস্থা হিচাপে নিৰ্ভৰ কৰাৰ পৰিৱৰ্তে আমি সুস্থ মোকাবিলা ব্যৱস্থা গঢ়ি তোলা, আপোনজনৰ পৰা সমৰ্থন বিচৰা আৰু সংঘাতৰ সমাধান আৰু সমাধানৰ বাবে মুকলি আৰু সৎ যোগাযোগত লিপ্ত হোৱাত গুৰুত্ব দিয়া উচিত। আমাৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি আমি প্ৰতিকূলতাৰ সন্মুখীন হৈ স্থিতিস্থাপকতা, শক্তি আৰু বৃদ্ধিৰ খেতি কৰিব পাৰো।

## জুবিন বিহীন সেমেকা শাৰদীয় দুৰ্গাপূজা

পূজাস্থলীত জাকজমকতা নাই। পূজা মণ্ডপৰ চাৰিওফালে দোকানেই দোকান। যি বিচাৰে খেলা বস্তুৰ পৰা মিঠাইলৈ সকলো উপলব্ধ। এইবাৰ তেনে পৰিৱেশ খুবেই নগণ্য। পূজাত এইবাৰ গান-বাজনাৰ শব্দ শুনিবলৈয়ো নাই। নিজান পৰিৱেশ। মা দুৰ্গাৰ আশীৰ্বাদ ল'বলৈ অহা ভক্ত সকলৰ এটাই প্ৰাৰ্থনা জুবিন দাই অনতি পলমে ন্যায় পাওক। প্ৰকৃতিয়ো নীৰৱ হৈ পৰিছে। শৰতে সেমেকা মনেৰেই দেৱী দুৰ্গাক আদৰিছে। মানৱৰ দৰেই কহুঁৱা, শেৱালি আদিয়ে মহান ব্যক্তিক হেৰুওৱাৰ বেদনাত মৰ্মাহত হৈছে।

**ম'বাইল ঃ** ৬০০০৬-৮২১৮৩

## ‘অৰুণোদয়’ হৈছে স্বৰাজোত্তৰ অসমৰ ইতিহাসৰ সৰ্ববৃহৎ কল্যাণমূলক আঁচনি

শইকীয়াই তেখেতৰ শিক্ষা জগতলৈ অৱদান তথা শিক্ষক-ছাত্ৰ সমাজে ল'বলগীয়া আদৰ্শ, অনুপ্ৰেৰণা আৰু দৰ্শনৰ কথা উদাহৰণসহ উল্লেখ কৰি ড° ডেকাক এগৰাকী মূল্যবোধসম্পন্ন ব্যক্তি বুলি অভিহিত কৰে আৰু উপাচাৰ্য হৈ থকা অৱস্থাত হোৱা ছাত্ৰ আন্দোলনত আৰক্ষীয়ে লাঠিচাৰ্জ কৰিবলৈ অনুমতি বিচৰা সত্ত্বেও বাৰণ কৰি ‘নিজৰ সন্তান'ৰ ওপৰত এই কাৰ্য কৰিব নিদিয়াৰ কথাও ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থকা ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকৎ পাত্ৰয়ো শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। ইয়াৰ লগতে অনলাইন যোগে ড° নগেন শইকীয়াই ড° ডেকাক শুভেচ্ছা প্ৰদান কৰি বক্তব্য আগবঢ়ায়। আনহাতে অনুষ্ঠান উপলক্ষে আয়োজন কৰা ‘যুগৰ প্ৰৱাহত ডিব্ৰুগড় জিলা’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাই অবিভক্ত ডিব্ৰুগড়ৰ পটভূমি আৰু ব্ৰিটিছে ব্যৱসায়ৰ স্বাৰ্থত গ্ৰহণ কৰা ভূমি নীতিকে ধৰি বিভিন্ন কুনীতিৰ কথা উল্লেখ কৰে। প্ৰসংগক্ৰমে আহু খেতিৰ স'তে জড়িত বিভিন্ন দিশ সামৰি ড° বৰুৱাই তাৎপৰ্যপূৰ্ণভাৱে ওখ মাটি অধিগ্ৰহণৰ স্বাৰ্থত ভূমি নীতিকে অন্যান্য নীতি গ্ৰহণ কৰি ব্ৰিটিছে চাহ বাগিছা স্থাপনৰ কথাও ভাষণত উল্লেখ কৰে। ড° ডেকাৰ জীৱন-কৃতী সম্পৰ্কত চমুকৈ আলোকপাত কৰে ড° নয়নমণি ফুকনে। অনুষ্ঠানত জুবিন গাৰ্গৰ অকাল বিয়োগত একমিনিট সময় মৌনতা অৱলম্বন কৰাৰ উপৰিও ড° চুমি ফুকন আৰু সংগীবৃন্দৰ দ্বাৰা শিল্পীগৰাকীৰ ছটা গীতৰ কলি পৰিৱেশনেৰে আৰু ড° কৰবী ডেকা হাজৰিকাৰ ৰচিত তথা ড° নিৰোদ বৰুৱাৰ সুৰাৰোপিত এটি গীত পৰিৱেশনেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক সন্মান জনোৱা হয়। অনুষ্ঠানত নন্দিতা গগৈৰ দ্বাৰা নিৰ্মিত ড° কন্দৰ্প কুমাৰ ডেকাৰ জীৱন-কৃতী সম্পৰ্কীয় এখনি ছয় মিনিট দৈৰ্ঘ্যৰ তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অনুবাদ সাহিত্যিক দেৱীপ্ৰসাদ বাগড়োদিয়া, সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়া, ডাঃ বিপিন্দ্ৰনাথ কাকতিকে ধৰি চহৰখনৰ শতাধিক গণ্যমান্য ব্যক্তি আৰু বিভিন্ন দল-সংগঠনৰ ব্যক্তি উপস্থিত থাকে।

*সাত পৃষ্ঠাৰ পৰা*

## সৰু শ্ৰীহাটীত সাৰ্বজনীন শ্ৰীশ্ৰীলক্ষ্মী

শিক্ষক নয়ন মণি দাস সম্পাদক, উপদেষ্টা মিহিৰাম দাস, ‘সৰু শ্ৰীহাটী গাঁও উন্নয়ন সমিতি’ সহযোগত প্ৰকাশ কৰি উলিয়ায়। লক্ষ্মী পূজাৰ দিনা অধ্যাপক অতুল চন্দ্ৰ দাস, অধ্যাপক ৰঞ্জিত টাকু, প্ৰফুল্ল শৰ্মা, ৰজনী ৰাজবংশী, প্ৰাঞ্জল শৰ্মা কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ হাতেৰে উন্মোচন কৰে। ৰুক্মিণী দাস, ইলা ভৰালী ডেকা, অনামিকা (সংগীতা) কলিতা, যমুনা দুলু বৈশ্য আদি অনেক লেখক-লেখিকাৰ লেখাই আলোচনীখনে পৰিপূৰ্ণ কৰি তুলিলে।

## অৰুণাচল প্ৰদেশৰ পৰ্যটকৰ আকৰ্ষণস্থলী ৱালং আৰু নামচাই

**চন্দন শৰ্মা, তেজপুৰ ঃ** ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধ ২১ অক্টোবৰ-নৱেম্বৰ মাহত হৈছে চীন আৰু ভাৰতৰ মাজত সংঘটিত এক সীমান্ত সংঘাত, যাৰ মুখ্য কাৰণ আছিল হিমালয় অঞ্চলৰ সীমান্ত সম্পৰ্কীয় বিবাদ বিশেষকৈ লাডাখৰ আকচই চীন আৰু অৰুণাচল প্ৰদেশক লৈ। এই যুদ্ধত চীনে বিজয় লাভ কৰি একতৰফা যুদ্ধবিৰতি ঘোষণা কৰে। আকচই চীন অঞ্চল দখল কৰে যদিও অৰুণাচল প্ৰদেশৰ পৰা পিছুৱাই আহে। যুদ্ধৰ পটভূমি আৰু কাৰণ সীমান্ত বিবাদ ঃ চীনৰ তিব্বত দখলৰ পিছত ভাৰত আৰু চীনৰ মাজত সীমান্তৰ বিবাদ আৰম্ভ হয়। এই যুদ্ধৰ অধিকাংশ ৪০০০ মিটাৰতকৈ অধিক উচ্চতাত সংঘটিত হৈছিল, যাৰ বাবে ইয়াক একনিষ্ঠৰ পৰ্বতীয়া যুদ্ধৰূপে জনা যায়। ইয়াৰোপৰি অৰুণাচল প্ৰদেশৰ নামচাইত গোল্ডেন পেগোডা অৱস্থিত। টাই-খামতি ভাষাত নামচাইৰ সোণালী পেগোডা বা গ'ল্ডেন পেগোডাক কংমু খাম বুলিও জনা যায়। এই বৌদ্ধ মঠটো বাৰ্মিজ শৈলীৰ বৌদ্ধ মন্দিৰ আৰু বিগত ২০১০ চনত মুকলি কৰা হৈছিল। ই ভাৰতৰ অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ ২০ হেক্টৰ ভূমিত বিস্তৃত হৈ আছে। নিকটতম ৰে'ল ষ্টেচনটো হৈছে অসমৰ তিনিচুকীয়া জিলাৰ ‘নিউ তিনিচুকীয়া জংচন’ আৰু নামচাইৰ পৰা মাত্ৰ ৭৯.৭ কিলোমিটাৰ দূৰত অৱস্থিত। নামচাইলৈ যাত্ৰা কৰিবলৈ তিনিচুকীয়াৰ পৰা কেব আৰু বাছৰো সুবিধা আছে। নিকটতম বিমানবন্দৰটো হৈছে নামচাইৰ পৰা ১২৩ কিলোমিটাৰ দূৰত অসমত অৱস্থিত মোহনবাৰী (ডিব্ৰুগড়) বিমানবন্দৰ। নামচাইলৈ যাত্ৰা কৰিবলৈ মোহনবাৰীৰ পৰাও গাড়ী ভাড়ালৈ যাব পৰা যায়। অৰুণাচল প্ৰদেশৰ ৰাজ্য চৰকাৰে প্ৰদান কৰা ভূমিত পেগোডা নিৰ্মাণত স্থানীয় বিধায়ক অৰুণাচলৰ ৰাজনীতিবিদ চোনা মেইনে ৩ কোটি টকা খৰচ কৰিছিল। ৱৰ্ল্ড ত্ৰিপিটক ফাউণ্ডেচনে বৰ্তমান কংমু খামক ভাৰতৰ প্ৰথম আন্তৰ্জাতিক ত্ৰিপিটক কেন্দ্ৰ হিচাপে বিকশিত কৰি আছে। সোণালী পেগোডাৰ ভিতৰত বুদ্ধৰ এটা সুন্দৰ সোণালী মূৰ্তি ৰখা হৈছে যিটো নালন্দা আৰ্কাইভৰ কলা বুদ্ধৰ আৰ্হিত আৰ্হি তৈয়াৰ কৰা হৈছে। পবিত্ৰ স্মাৰকসমূহৰ উপৰি সোণালী বৌদ্ধ মন্দিৰটোত ১৩ ফুট উচ্চতাৰ এটা বাঁহৰ বৌদ্ধ মূৰ্তি আছে। এইটো ভাৰতৰ একমাত্ৰ বৌদ্ধৰ বাঁহৰ মূৰ্তি। অঞ্চলটোত টাই খামটি-চিংফো জনজাতিৰ সাংস্কৃতিক গৱেষণাৰ কেন্দ্ৰ, এটা পুথিভঁৰাল আৰু এটা মঠো আছে। কাথিনা উৎসৱ হৈছে সোণালী পেগোডাত উদ্‌যাপন কৰা আটাইতকৈ ডাঙৰ উৎসৱ। ২০১৬ চনৰ ১৩ নৱেম্বৰত অনুষ্ঠিত হোৱা অনুষ্ঠানত থাই বৌদ্ধ ভিক্ষুসকলেও অংশগ্ৰহণ কৰিছিল বুলি জনা যায়।

অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

**বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ**

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প’ৰ্টেলত উপলব্ধ



## বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ’ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ’ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ’ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

**আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-**

- ৯১৮১০-১৪৮৮৮
- ১১২
- ০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# নগাঁৱৰ ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতিক বটাঁ বিতৰণী অনুষ্ঠান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও পৌৰসভা অন্তৰ্গত ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতিক বটাঁ বিতৰণী অনুষ্ঠান টি নগাঁও পৌৰসভাৰ কাৰ্যালয় প্ৰাংগণত আয়োজিত হয়। সন্ধিয়া পৌৰসভাৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত এই বটাঁ বিতৰনী অনুষ্ঠানটি আনুষ্ঠানিকভাৱে মুকলি কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। অনুষ্ঠানটি মুকলি কৰি বিধায়ক শৰ্মাই কয় যে- 'নগাঁও পূজা সমূহৰ এক বিশেষ তাৎপৰ্য তথা ঐতিহ্য আছে। নগাঁৱত অনুষ্ঠিত পূজা সমিতি সমূহক আজি বহুদিনৰ পৰাই নগাঁও পৌৰসভাই বিভিন্ন শিতানত পুৰস্কাৰ বিতৰণ কৰি আহিছে । কিন্তু তেতিয়া পূজা সমিতি সমূহক দশমী দিনা নেহৰুবালীৰ বাকৰিতে উক্ত বটাঁ সমূহ বিতৰণ কৰা হৈছে। ৰাইজে পুৰস্কাৰ প্ৰদানৰ কথা জনাই নাছিল। কিন্তু এতিয়া আমি এই পূজা সমিতি সমূহক দশমীৰ দুই তিনিদিন পাছত পুৰস্কাৰ সমূহ ৰাজহুৱাকৈ পৌৰসভাৰ মজিয়াত সভা পাতি বিতৰণ কৰি আহিছো। পূজা সমিতি সমূহক আমাৰ পৌৰসভাৰ তৰফৰ পৰা আগবঢ়োৱা কেৱল এক সৰু উৎসাহজনক বাৰ্তাহে মাথোঁ । এই বটাঁ বিতৰণী অনুষ্ঠানত নগাঁও পৌৰসভাৰ অধ্যক্ষা অম্বিকা মজুমদাৰ, উপাধ্যক্ষ সীমান্ত বৰা, কাৰ্যবাহী বিষয়া পংকজ ভুঞা, কাৰ্যবাহী অভিযন্তা ৰাজেশ দাসৰ লগতে নগাঁও পৌৰসভাৰ বিভিন্ন মহলাৰ আয়ুক্ত সকলৰ লগতে পুৰস্কাৰ লাভ কৰা পূজা সমিতিসমূহৰ সভাপতি সম্পাদক আৰু সদস্য উপস্থিত থাকে। ২০২৫ বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱৰ স্থানপ্ৰাপ্ত পূজা সমিতি সমূহৰ নাম এনেধৰণৰ প্ৰথম শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বটাঁ শিতানত লাভ কৰিছে পানীগাঁও কালীবাড়ী দুৰ্গা পূজা সমিতি। দ্বিতীয় শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বটাঁ শিতানত ব্যৱসায়ী পূজা সমিতি, নগাঁও। তৃতীয় শ্ৰেষ্ঠ প্ৰতিমা চলন্ত বটা শিতানত ফৌজদাৰীপটি শ্ৰীশ্ৰী সাৰ্বজনীন পূজা সমিতি (কলা মন্দিৰ)। প্ৰথম শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত নগাঁও বঙ্গালী সম্মিলনী, নগাঁও। দ্বিতীয় শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত বিবেকানন্দপল্লী শাৰোদৎসৱ সমিতি, হয়বৰগাওঁ। তৃতীয় শ্ৰেষ্ঠ মণ্ডপ চলন্ত বটাঁ শিতানত জ্যোতিময় শক্তি উৎসৱ সমিতি, এ, টি ৰোড, হয়বৰগাওঁ। প্ৰথম শ্ৰেষ্ঠ আলোক সজ্জা চলন্ত বটাঁ শিতানত সাৰ্বজনীন পূজা সমিতি, শংকৰ মিচন পথ। দ্বিতীয় শ্ৰেষ্ঠ আলোক সজ্জা চলন্ত বটাঁ শিতানত মা কালী সংঘ, হায়বৰগাওঁ। তৃতীয় শ্ৰেষ্ঠ আলোক সজ্জা চলন্ত বটাঁ শিতানত শনি মন্দিৰ দুগী পূজা সংঘ, হায়বৰগাওঁ। প্ৰথম শ্ৰেষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত নৱ দুৰ্গা ক্লাব, আৰ, আৰ বি. ৰোড, দক্ষিণ হয়বৰগাওঁ। দ্বিতীয় তোষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত দ্বিগবিজয় সংঘ দুৰ্গাপূজা উদ্যাপন সমিতি। তৃতীয় শ্ৰেষ্ঠ স্বচ্ছতা চলন্ত বটাঁ শিতানত বীণাপানী পূজা সমিতি, মাধৱদেৱ পথ, হয়বৰগাঁৱে লাভ কৰিছে। বটাঁ সমূহত প্ৰথম পুৰস্কাৰত নগদ দহ হাজাৰ টকা, চলন্ত ট্ৰুফী স্মাৰক, দ্বিতীয় পুৰস্কাৰত নগদ সাত হাজাৰ টকা, চলন্ত ট্ৰফী আৰু স্মাৰক, তৃতীয় পুৰস্কাৰত নগদ পাঁচ হাজাৰ টকা, চলন্ত ট্ৰফী, স্মাৰক আদি প্ৰদান কৰা হয়।

# জুবিন বিহীন শাৰদীয় বতৰ

■ **অৰ্ণৱ কটকী,** জাঁজী যোৰহাট জিলা

**শা**ৰদীয় দুৰ্গা পূজা পুনৰ আহিল। উকা হৈ পৰা প্ৰতিজন ব্যক্তিৰ মনত আগৰ দৰে নাই কোনো উছাহ। হিয়াৰ আপোন জুবিন গাৰ্গ দেৱৰ মহাপ্ৰয়াণৰ পিছৰ পৰাই অসম আৰু অসমীয়াৰ জীৱন স্তব্ধ হৈ পৰিল। এইবাৰ সকলো জাকজমকতা পৰিহাৰ প্ৰতিখন পূজা মণ্ডপৰে। নাই আগৰ দৰে কোনো দোকান, মুখত নাই কাৰো হাঁহি। পূজা বুলি আনন্দত আত্মহাৰা নহয় আজি। প্ৰাণৰ শিল্পী জনৰ ন্যায়ৰ অপেক্ষাত প্ৰতিজন।

প্ৰকৃতিৰ মনোমোহা ৰূপত ভোল যোৱা নাই কোনো এজন। শেৱালি ফুলৰ সুবাসে চুই যাব পৰা নাই আগৰ দৰে আমাৰো মন। জুবিন দাদাক হেৰুৱাই প্ৰতিজন ব্যক্তি চকুত তপত চকুলো। আগৰ দৰে এতিয়া একোৱেই নাই, সময়, জীৱন কিম্বা আনন্দ। ধৰ্মীয় নিয়ম অনুসৰি অনুষ্ঠুপিয়াকৈ দুৰ্গা পূজাৰ উদ্‌যাপন হ'ব, সমগ্ৰ ৰাজ্যত, জুবিন দা বিহীন উৎসৱ কল্পনাও কৰিব নোৱাৰি। আনন্দৰে উদ্‌যাপন কৰা বহু দূৰৈত।

**ম'বাইল ঃ** ৬০০০৩-৬৯৭০৫




# ঈশশ্ৰুত ঐনিতম

■ **হেৰম্ব নাথ**

**ঈ**যদুঞ্চ প্ৰত্যয় অন্যোন্যাশ্ৰয়তাৰ আপাহত উদ্ভাসিত এটি স্বতঃসিদ্ধ সত্তা ভগৱানৰ অৱতাৰ গানৰ সুৰুয প্ৰজন্মৰ হিয়াৰ আমঠু জুবিনদা গুচি গ'ল অক্ষিপটৰ পৰা। আৰু নেদেখোঁ কাহানিও কিন্তু জীয়াই ৰাখিম আমি, জীয়াই থাকিব অসমীয়াৰ মাজত এক স্বীয় প্ৰণামী সত্তা হৈ। সেইবাবেই বাৰে বাৰে কওঁ জুবিনদা তুমি অমৰ তুমি অৱতাৰী পুৰুষ মাথোঁ কেইদিনমানৰ বাবে অন্য এখন জগতলৈ গৈছা, আকৌ আহিবা, আকৌ গান গাবা। আমি স্নিগ্ধ প্ৰতীতিৰে গান শুনিম আমাৰ হিয়াৰ আমঠু জুবিনদা আমাৰ মাজলৈ আহিছে। সৌৱা জুবিনদা গান গাইছে প্ৰাণঢালি। আমি কিয় কম জুবিনদা নাই। জুবিনদা আছে। জুবিনদা জীয়াই আছে আমাৰ মাজত। জয় জুবিনদা জয়।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

# সোণালী জয়ন্তী বৰ্ষত ফুলগুৰি আঞ্চলিক ৰাস মহোৎসৱ

## স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**লক্ষ্যজ্যোতি বৰা ঃ** ১৯৭৫ চনতে ৰহা সমজিলাৰ ঐতিহ্যমণ্ডিত কৃষক বিদ্ৰোহৰ বাবে খ্যাত ধেৱাৰ থলী ফুলগুৰিৰ বহুগৰাকী সমাজ সংগঠক আৰু সংস্কৃতিৱান ব্যক্তিৰ প্ৰচেষ্টা আৰু কায়িক শ্ৰমৰ ফলশ্ৰুতিত ফুলগুৰি ৰে'ল ষ্টেচনৰ সমীপৰ নেহৰু খেলপথাৰত প্ৰতিষ্ঠা লাভ কৰা ফুলগুৰি আঞ্চলিক ৰাস মহোৎসৱে আহি আহি এই বছৰত সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। অহা ৪, ৫, ৬ আৰু ৭ নৱেম্বৰত উদ্‌যাপন হ'ব লগা সোণালী জয়ন্তী বৰ্ষৰ ৰাস মহোৎসৱত প্ৰথম দিৱসত নতুন আংগিকেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনা ৰচিত কেলিগোপাল নাট, দ্বিতীয় দিৱসত উজনি অসমৰ প্ৰতিষ্ঠিত পদ্মনাভ শিল্পী সমাজ, গোলাঘাটৰ দ্বাৰা ভাওনা প্ৰদৰ্শন, তৃতীয় আৰু চতুৰ্থ দিৱসত ফুলগুৰি অঞ্চলৰ বলিষ্ঠ নাট্যশিল্পীৰ দ্বাৰা দুখনি সামাজিক নাট মঞ্চস্থ কৰাৰ কাৰ্যসূচী হাতত লৈছে। উক্ত সমূহ কাৰ্যসূচীত উদ্‌যাপন সমিতিৰ সভাপতি মহেশ্বৰ গোস্বামী, কাৰ্যকৰী সভাপতিদ্বয় ক্ৰমে জ্যোতি শংকৰ নাৰায়ণ বৰুৱা আৰু ৰঞ্জিত বৰদলৈৰ লগতে মুখ্য সম্পাদক নিতুমণি মিশ্ৰই ভক্তিপ্ৰাণ ৰাইজৰ আন্তৰিক সঁহাৰি কামনা কৰিছে। উল্লেখ্য যে সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগা স্মৃতিগ্ৰন্থৰ বাবে ফুলগুৰি আঞ্চলিক ৰাস মহোৎসৱ বিষয়ক স্মৃতিকথা আৰু ৰাস বিষয়ক ভক্তিতত্ত্বমূলক লেখা অহা ১৪ অক্টোবৰৰ ভিতৰত পোৱাকৈ সম্পাদকলৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি দিজু মিশ্ৰ আৰু কাৰ্যকৰী সভাপতি ড° প্ৰদ্যুম্ন গোস্বামীয়ে। লেখা প্ৰেৰণৰ সুবিধাৰ্থে - মন্টুমণি বৰা (মদাৰজ্যোতি), (সম্পাদক, স্মৃতিগ্ৰন্থ), উত্তৰ পেটবঢ়া -৭৮২১৪৪, ৰহা, নগাঁও। ৰাটচ এপযোগে প্ৰেৰণ কৰিবলৈ ফোন নম্বৰ — ৬০০২৫৭৬০৯৭, আৰু মেইলযোগে bonsaipubmm@gmail.com ত লেখা প্ৰেৰণ কৰিব পাৰিব।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা